চান্দমামা

জানুৱাৰি ১৯৯১





এটা কেছিঅ' থাকিলে আপোনাৰ মনে বিচৰা সকলোবোৰ সুৰ বজাব পাৰিব... মাথো কী-সমূহ টিপি দিলেই হ'ল।

ছন্দৰ গতিৰ লগে আপোনাৰ প্ৰিয় গীতসমূহ বজাই যাওক... বন্ধুবৰ্গৰ নৃত্যৰ তালে তালে আপুনি হৈ পৰিব জাকতজিলিকা তাৰকা।

গতিকে পলম কিহৰ... কেছিঅ'ৰ যহত লওক আনন্দ লহৰ। হয়, ইয়াতেই পাব আচল আনন্দ।

SA-20

● 32টি মিনি কী ● 100 পি চি এম প্ৰীছেট টʼন ● 19টি পি চি এম অটো ৰীড্‌ম ● 13টি "চুপাৰ একম্পেনিমেণ্ট" বেকিং পেটাৰ্ন ● প্ৰীছেট ডেমন্সট্ৰেশ্যন টিউন ● ডুৱেল স্পীকাৰ চিষ্টেম।

PT-380

● 32টি মিনি কী ● 100 পি চি এম প্ৰীছেট টʼন ● 12টি পি চি এম অটো ৰীড্‌ম ● মিনি মাইক্ৰোফোন সংযোজিত ● আৰ ও এম পেক কম্পাটিব্‌ল ● মেলডী গাইড ফাংশ্যন ● 5টি অন্তৰ্নিহিত চাউণ্ড এফেক্ট পেড।

CITY MUSIC CO., PTE LTD.
Singapore Tel 3377058, 3377545

ONFLO MUSIC CO., LTD.
Hong Kong Tel :722 4195

RAINBOW PHOTO FINISHERS PTE LTD.
Nepal, Kathmandu Tel : 221724

GENERAL ENTERPRISES COMPANY
U.A.E., Dubai Tel : 224131/2/3

MAHMOOD SALEH ABBAR CO.
Saudi Arabia, Jeddah Tel :(02)6473995

ARABIAN CAR MARKETING CO.,LTD.
Oman Tel : 793741

CASIO COMPUTER CO., LTD.
Tokyo, Japan

''**मेरि**'' गोल्ड कवरिंग गहने अपनी श्रेष्ठता, अनुपम 'लाजवाब' मनमोहक डिसैनों से दुनियाँ की सारी स्त्रियों के दिलों में शाश्वत जगह पाये हैं । आपको कैसा नम्बर चाहिये यह हमें लिखकर बताइये । वि.पि.पि. द्वारा भेजा जायेगा । मुफ्त केटलाग के लिये आज ही हमें लिखिये, ।



MERI GOLD COVERING WORKS

P.O.BOX 1405, 14, RANGANATHAN STREET
T.NAGAR, MADRAS - 600 017, PHONE: 444671

চান্দমামা

*

জানুৱাৰি ১৯৯১

এই * আছে

সংখ্যাত

*

ভেমটো ভেমটো	:	৭	শ্ৰীৰামকৃষ্ণ পৰমহংস	:	৩৭
ম্যাদী পটাৰ দেশখন	:	৯	সামান্য-অসামান্য	:	৪১
সম্পদীয়া গাৰ	:	১১	বীৰ হনুমান	:	৪৫
দস্যু যুৰৰাজ	:	১৭	খং নামে চণ্ডাল	:	৫৩
জোনাকত হেৰুৱাই	:	২৫	সোণৰ নিগনি	:	৫৭
জ্ঞান-ভাণ্ডাৰ	:	৩৩	আনন্দৰ উৎস	:	৫৯
ভাৰতৰ দেৱতা	:	৩৪	বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

চান্দমামা

খনে : ৩·০০ বছৰেকীয়া বৰঙণি ৩৬·০০টকা মাথোন

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

Mudra:M CTPL:4093

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

ভেমটো ভেমটো কলহৰ কাণটো

অৰণ্য আৰু পৰ্বতৰাজি পৃথিৱীৰ সকলোতে প্ৰকাশমান। কিন্তু এই অৰণ্য আৰু পৰ্বতৰ ওপৰত হোৱা অত্যাচাৰৰ মাত্ৰা চেৰাই গৈছে। আমাৰ অতাাচাৰত অতিষ্ঠ অৰণ্যৰ বহুবিধৰ জীৱ-জন্তুও পৃথিৱীবক্ষৰপৰা নিশ্চিহ্ন হৈ আহিছে। হাতীৰ দাঁত বেচি ধন ঘটাৰ কাৰণে চিকাৰীহঁতে চোৰাংকৈ হাতী মাৰিছে, গঁডৰ খড়্গৰ কাৰণে গঁড, আৰু কত কি। আমাৰ অত্যাচাৰৰপৰা সাগৰৰ জন্তুবোৰো ৰেহাই পোৱা নাই। কোমল নোম থকা চামৰাৰ কোটচোলাৰ বাবে সাগৰৰ ছিল নামৰ জন্তু বধ কৰা হৈছে। এই অন্যায় বিলাসিতাই—এনেবোৰ জঘন্যশ্ৰেণীৰ বিলাসিতাৰে কাৰোবাৰ ভেম বঢ়ালেও প্ৰাণীলৈ প্ৰেম নোহোৱা কৰে।

প্ৰকৃতিক এনেকৈ অন্যায় লুণ্ঠন কৰাৰ অধিকাৰ আমাৰ নাই। আমি যদি এতিয়াও সাৱধান নহওঁ, তেনেহ'লে প্ৰকৃতিয়ে এদিন-নহয়-এদিন আমাৰ ওপৰত বীভৎস ধৰণে প্ৰতিশোধ ল'বই।

মানুহে জনা উচিত—ভেমতকৈ প্ৰেম বহু মূল্যৱান।

বছৰ : ১৫   জানুৱাৰি ১৯৯১   সংখ্যা : ১০

খনে : ৩·০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬·০০ টকা

নতুন
কেম্পকো
অৱদান
এক্লেয়াৰ্চ যাৰ
ভিতৰত অধিক চকলেট
নতুন কেম্পকো চকলেট এক্লেয়াৰ্চৰ এটা পেকেট
মাত্ৰ খুলি চাওক। চাওতে চাওতেই আপোনাক ঘেৰি ধৰিবহি
এদল হাঁহিভৰা মুখে। আৰু আপুনি সজাগ হোৱাৰ আগতেই
আপোনাৰ হাতত ৰৈ যাব মাত্ৰ এটা খালী পেকেট। অৱশ্যে এইটো
সত্য যে তেওঁলোকে অন্তহীন
প্ৰশস্তিৰে আপোনাক
মোহিত কৰিব।
কেম্পকো চকলেট এক্লেয়াৰ্চ
সকলোৰে সঙ্গত, স্বাদৰ আনন্দ!
Chocolate Eclairs
Campco
TOP QUALITY LOW PRICE
ভাৰতৰ সৰ্ব্ববৃহৎ,
সৰ্ব্বাধুনিক প্লাণ্টৰ উপহাৰ
কেম্পকো লিমিটেড, মাঙ্গালোৰ।
R K SWAMY/CL/8356/AS
Campco chocolates
Milk
White
Treat
TURBO
Eclairs
megabite
Playtime
RUBIES
TOFFEE
Assorted Gift Box
Campco beverages
WINNER
COCOA

ম্যাদী-পটাৰ দেশখন

বিৰ দি বাট নোপোৱা, তথাপি দেখাত অতি:ক' ধুনীয়া নাতিদীৰ্ঘ নগৰখনৰ নাম হংকং। হংকং আচলতে এটি দ্বীপ। কিন্তু এটি দ্বীপেই যেনিবা এখন দেশ। হংকং হ'ল এতিয়ালৈকো বৃটিছ উপনিবেশ।

এছিয়া মহাদেশৰ মানচিত্ৰলৈ মন কৰিলে হংকং যে চীনদেশৰ ভূভাগ সেই কথা দেখ দেখকৈ ওলাই পৰে। তেনেহ'লেনো—একদা এই সুৰম্য হংকং দ্বীপ বৃটিছৰ কৰতলগত হৈছিল কেনেকৈ?

বৃটেইন তথা ইংল্যাণ্ডৰপৰা চীনদেশলৈ আফিং বা কানি পঠোৱা হৈছিল। কিন্তু





চীনৰ তৎকালীন চৰকাৰে ১৮৪২ চনত হঠাৎ কানিৰ বেপাৰৰ ওপৰত নিষেধাজ্ঞা জাৰী কৰাত ক্ষমতামদমত্ত বৃটিছ চৰকাৰে হংকং দ্বীপ অধিকাৰ কৰি লৈছিল।

কিন্তু এই অধিকাৰ যে চিৰকাললৈ নাথাকিব, বৃটিছে বঢ়িয়াকৈ গমিছিল। এই অধিকাৰৰ কথাত সৰু-সুৰা সংঘৰ্ষ হোৱাৰ অন্তত বৃটিছ চৰকাৰে এই হংকং দ্বীপ এশ বছৰৰ ম্যাদত পটা লোৱা হ'ল বুলি লিখিত স্বীকৃতি প্ৰদান কৰিলে।

১৯৯৭ চনত হংকঙৰ ওপৰত বৃটিছৰ অধিকাৰৰ ম্যাদৰ অন্ত পৰিব। চীনদেশে এই ম্যাদ আৰু একোপধ্যে নবঢ়ায়, হংকং নগৰখন তথা দ্বীপটো চীনদেশক লাগে।

চীনদেশৰ বক্তব্য হ'ল : হংকং যেনেকৈ আছিল, এতিয়া যেনেকৈ আছে, পৃথিৱীৰ মহাব্যস্ত নগৰসমূহৰ অন্যতম নগৰ এই হংকং নগৰখনক তেনেকৈ থাকিবলৈ দিয়া হ'ব। কিন্তু চীন চৰকাৰৰ এই কথাত হংকঙৰ বণিক সকলে আস্থা স্থাপন কৰিব নোৱাৰি তেওঁলোকে বাণিজ্যিক কাৰ্য্য-কলাপৰ বাবে ছিংগাপুৰ, ব্যাংকক, তাইপে তথা ম্যানিলা আদি নগৰলৈ ইতিমধ্যেই ঢাপলি মেলা হৈছে।

সম্পদীয়া পাৰ

কথা আগৰ দিনৰ। মধুপুৰী গাঁৱত ৰমানাথ নামৰ এগৰাকী দানী লোক আছিল। কিন্তু নিজৰ ভৱিষ্যৰ কথা নাভাবি দান কৰি কৰি এদিন তেওঁ একেবাৰে দইন পৰা হ'ল, তেওঁৰ নিজৰ বোলোঁতে একো নাথাকিল।

ৰমানাথৰ এই দানৰ ধন সৰহভাগেই পাইছিল তেওঁৰ আত্মীয়-স্বজন মিতিৰ-কুটুমহঁতে। কিন্তু ৰমানাথৰ এতিয়াৰ হা-হা কা-কা অবস্থাৰ কথা জানিও কোনো আত্মীয়-স্বজন মিতিৰ-কুটুম ৰমানাথক সহায় কৰিবলৈ আগ বাঢ়ি নাহিল।

কিছুমানে কৈ থাকিল যে—ৰমানাথ আচলতে আছিল এটা নামৰ লুভীয়া। নাম-যহ-খিয়াতিৰ লোভতহে গিয়াতি সকললৈ উপযাচি দান-ধৰ্ম কৰিছিল। কিছুমানে ইয়াকো কৈ থাকিল যে ৰমানাথৰ কোনো লোচকান হোৱা নাই ; কিয়নো তেওঁৰ দেউতাকে লোকক জুলুম কৰি অনা ধনখিনিহে গ'ল, সেয়া ৰমানাথৰ আৰ্জনৰ ধন নাছিল, আছিল সাঁচি ধন। সাঁধি-ধন পঁচি গ'ল—ৰমানাথৰ কি হ'ল ?

আকৌ কিছুমান আত্মীয়ই ইয়াকো ক'লে যে তেওঁলোকে ৰমানাথক এইদৰে শুকান বালি তিয়াৰৰ চেষ্টা নকৰিবলৈ কত যে নকৈছিল—কিন্তু আঁকোগোঁজা নাম-লুভীয়া ৰমানাথে সৰত কাণ দিছিল।

ৰমানাথৰ আত্মীয়-স্বজন-মিতিৰহঁতৰ বাদে আন কিছুমান চিনাকি মানুহে—যিসকলে ৰমানাথৰ দুৰ্দিনত ৰমানাথক সহায় কৰিব খুজিছিল—ৰমানাথৰপৰা

সিদ্ধিনাথ ব্ৰহ্ম

তৎক্ষণাৎ কোলাত জাহ গ'ল।

ৰমানাথৰ পত্নীয়ে বেজাৰ মুখেৰে ৰমানাথক ক'লে, "আমি আত্মীয়-কুটুম সকলক ধনে-বস্তুৰে ইমান যে সহায়-কৰিলোঁ, কাৰো অপকাৰ নকৰিলোঁ, তথাপিনো কিয় চকুৰ কুটা হ'লোঁ?"

ৰমানাথে বিষাদৰ হাঁহি মাৰি ক'লে, "তুমি একেবাৰে যাক বোলে অবুজনজনী হৈ আছা। কেনেকৈনো তোমাক বুজাম ঢেকুৱা লাই সিজাম? তেওঁলোকে আচলতে—আমি সদায় দি থকাটো হে বিচাৰে—বুলিহে তেনেকৈ কয়। আপোন-পেটাইতে সেইবোৰ নকৈ তোমাৰ গুণ গাব বুলি ভাবানে কি? ইমান দিন সুখেৰে খাইছোঁ—এইবাৰ দুখেৰে মুখ ভৰাম—কড়া মাৰি কড়া খম।"

চাওঁতে চাওঁতে ৰমানাথৰ পৰিবাৰৰো টোপনিৰ জেলেকা লাগিল, ৰমানাথেও গছৰ তলতে শুই নিঃপালি দিলে।

টোপনিত ৰমানাথে সপোন দেখি থাকিল। সপোনত এজন সাধুৱে ৰমানাথক ক'লে, "বুজ-বিবেচনা নকৰি যধে-মধে যাকে-তাকে দান-ধৰ্ম কৰাতহে আজি তোমাৰ এনে পৰিণতি হ'ল। দান-ধৰ্ম কৰিবলৈকো যোগ্য পাত্ৰ লাগে। যেইকি নহওক—দান—দানেই। অবুজ দানৰো

অচেল সহায় পোৱা তেওঁৰ নিকটাত্মীয় সকলৰ এনেবোৰ অপপ্ৰচাৰত বিভ্ৰান্ত হৈ তেওঁলোকো পিছপাও হ'ল।

গাঁৱত তেওঁৰ সম্পৰ্কে এনে বিসদৃশ মনোভাৱলৈ মন কৰি অৱশেষত ৰমানাথে এই গাঁও এৰি অন্য গাঁৱলৈ গৈ কেনেবাকৈ চিনাকি চকুৰ আঁৰত জীৱন কটাবলৈ মনস্থ কৰিলে। ৰমানাথ এদিন পুত্ৰ-পৰিবাৰক লৈ গাঁও এৰি ওলাল। বহু দূৰলৈ বাটকুৰি বাই গৈ গৈ, ভাগৰি পৰি, এসময়ত বাটৰ দাঁতিত থকা এজোপা ফুলে-পাতে ভৰপূৰ বিৰাট গছৰ ছাঁত জিৰণি ল'বলৈ বহিল। পোনাকেইটি চাওঁতে চাওঁতে টোপনিৰ

পুণ্য নোহোৱা নহয়। তোমাৰো কিছু পুণ্য-বল আছে। এটা কাম কৰা। সৌ ডাঙৰ গছজোপাৰ কাষ চাপা। গছজোপাৰ খোৰোঙত এটা তামৰ আঙঠি দেখা পাবা। সেই আঙঠিটো তুমি তোমাৰ বাঁওহাতৰ তৰ্জনীত পিন্ধি থাকিবা। তোমাক যেতিয়াই যিমানে ধন লগে—এই আঙঠিক খুজিলেই পাবা। আঙঠিক মনে মনে ক'লেই কাম সিজিব। তুমি পোনে পোনেই কমলপুৰ গাঁৱলৈ যোৱা। তাত—সেই কমলপুৰ-চাৰিআলিত এঠাইত দহজন মানুহে মেল মাৰি থকা দেখা পাবা, যি দহজনৰ মাজত এজন তোমাৰ আত্মীয় থাকিব। এই আত্মীয়ক তুমি যেতিয়া চিনি উলিয়াব পাৰিবা, তেতিয়াই এই তামৰ আঙঠিটো সোণৰ আঙঠিলৈ ৰূপান্তৰিত হ'ব আৰু ধন-সোণ যি খুজিবা তাকে পাবা। কেতিয়াবা যদি এই আঙঠিটো পুনৰ তামলৈ ৰূপান্তৰিত হয়, তেতিয়া—এই মন্ত্ৰঃপূত আঙঠিৰ কাৰ্য্যকাৰিতা নোহোৱা হোৱা বুলি জানিবা। তোমাৰ সেই আত্মীয়ৰ ঘৰত মাত্ৰ এৰাতিৰ কাৰণে থাকিবা, আৰু পাছদিনাই পুনৰ নিজৰ গাঁৱলৈ গুচি যাবা।"

এই বুলি কোৱাৰ অন্তত সপোনৰ সাধু অন্তৰ্হিত হ'ল আৰু ৰমানাথো টোপনিৰ-পৰা সাৰ পাই গ'ল। মুহূৰ্তমান ভবাৰ পাছত ৰমানাথ সপোনত দেখা গছ-জোপাৰ খোৰোঙত তামৰ আঙঠি এটা বাস্তৱিকতেই পালে, আৰু আঙঠিটো বাঁও হাতৰ বুঢ়া আঙুলিৰ ওচৰত থকা আঙুলিটোত—অৰ্থাৎ বাঁও হাতৰ তৰ্জনীত পিন্ধি ল'লে।

তাৰ পাছত ৰমানাথ পা-পৰিয়ালে কমলপুৰলৈ বুলি ৰাওনা হ'ল। বেলিয়ে ঠেং মেলাৰ আগে আগেই ৰমানাথে কমলপুৰ-চাৰিআলি পালেগৈ আৰু তাত সপোনৰ সাধুৱে কোৱামতেই দহজন মানুহে মেল মাৰি থকা দেখা পালে। এই

দহোজনে মিলি ৰমানাথৰ কথাকে চৰ্চি থকা শুনি ৰমানাথ আচৰিত হ'ল। এওঁ-লোকৰ মাজৰে এজনে কৈ আছিল :

"—আমাৰ দেউতা এবাৰ মধুপুৰী গাঁৱলৈ গৈছিল কিবা সকামত। কিন্তু দেউতা হঠাৎ অসুস্থ হৈ পৰাত তাত তেওঁৰ চিনাকি মানুহখিনিয়েও অচিনাকিহেন ভাও জুৰিলে। তেতিয়া সেই গাঁৱৰে এজন প্ৰকৃত অচিনাকি মানুহে দেউতাক চিকিৎসক এগৰাকীৰ ওচৰলৈ লৈ গ'ল। চিকিৎসকজনে শকত পৰিমাণৰ ধন খোজাত আমাৰ অসুস্থ দেউতা বিপাঙত পৰিল। এই কথা ঘুনুক-ঘানাককৈ শুনি ৰমানাথ ডাঙৰীয়াই উপযাচি গৈ সেই বৈদ্যক টকাখিনি দিলে। এই টকা ৰমানাথে দেউতাৰপৰা ওভোতায়ো লোৱা নাছিল। এইজন দাতা ৰমানাথে হেনো গাঁও এৰি গুচি যাবলগীয়া হ'ল! ছেঃ!"

এইদৰে, ইজনৰ পিছত সিজনকৈ বহুতেই ৰমানাথৰ সম্পৰ্কে নানান কথা কোৱাৰ অন্তত মহেশ নামৰ মানুহ এজনে কৈ উঠিল, "আচল কথা তোমালোকে নাজানা। ৰমানাথৰ ককাদেউতাৰে অতি অন্যায়ভাবে ধন সাঁচিছিল। সেই পাপৰ ফলত সিহঁত গাত বিহ-ঘা হৈ অকালতে মৰিল; তেতিয়া ৰমানাথে সাধু এগৰাকীক ধৰি সোধাত—সাধুৱে কৈছিল ৰমানাথক —যদি সকলো পাপৰ ধন-সম্পদ দান কৰি দিয়া—তেহে তোমাৰ ৰক্ষা হ'ব। সেইহে ৰমানাথ বাধ্যত পৰি দানী হৈছিল। পাপৰ ধন থকাহেতুকে ৰমানাথৰ দেউতাৰো সৰ্বাংগ ঘা হৈ মৰিছিল। এই অৱস্থাৰপৰা পৰিত্ৰাণ পাবলৈহে ৰমানাথে এই দান-ধৰ্মৰ বাট লৈছিল।"

"অ'—কথা তেন্তে—এয়ে! আমি ইমান কাল ৰমানাথক মহাদানী বুলিহে ভাবিছিলোঁ।" দহজনৰ এজনে ক'লে।

তেতিয়া ৰমানাথ সেই মহেশৰ কাষ চাপিল আৰু ক'লে, "বোপা, মই



ৰমানাথ। আমি মধুপুৰীৰপৰা আহিছোঁ। কমলপুৰতো আমাৰ আত্মীয় থকা বুলি মই ভবাই নাছিলোঁ। দেখাই-মেলাই—তুমি আমাৰ আত্মীয় যেনহে পাইছোঁ।"

শুনি আনকেইজন বহাৰপৰা একেলগে উঠি থিয় হ'ল আৰু ৰমানাথক কৈ থাকিল, "আপোনাৰ দৰ্শন যে এইদৰে ইয়াত পাম—কেনে ভাগ্যৰ কথা! আপোনাৰ দুৰাৱস্থাৰ কথা আমি শুনিছোঁ"

তেতিয়া ৰমানাথে তেওঁৰ বাঁও হাতৰ আঙুলিত থকা আঙঠিটোলৈ ঘূৰি চালে। তামৰ সেই আঙঠিটো তিমানতে সোণৰ আঙঠিলৈ ৰূপান্তৰিত হৈছিল।

ৰমানাথে মৃদুকৈ হাঁহি মাৰি ক'লে, "মোৰ কাৰণে একো কৰিব নালাগে। তোমালোকৰ মাজত কাৰোবাক কিবা লাগে যদি কোৱা।"

যি কি নহওক—ৰমানাথ পা-পৰিয়ালৰে মহেশৰ ঘৰলৈ গৈ থাকিল। ৰমানাথৰ পত্নীয়ে এইবোৰ নোহোৱা-নোপজা ঘটনাত আচৰিত হ'ল। সেই ৰাতি—মহেশৰ ঘৰতে—কেইবাজনো দুখীয়া মানুহৰ মাটি-বাৰী সকলো মহাজনে গ্ৰাস কৰিব ধৰিছিল মাত্ৰ এশ মুদ্ৰাৰ কৰ্জা-খতৰ কাৰণে। ৰমানাথৰপৰা সহায় পাই এই মানুহজনে হুৰহুৰকৰে কান্দি দিলে।

পাছদিনা ৰমানাথ মহেশৰ ঘৰৰপৰা নিজৰ গাঁৱলৈ বুলি ওলাওঁতে মহেশৰ দেউতাকে ৰমানাথক ক'লে, "ৰমানাথ, আমাৰ চম্পাজনীক দেখিছাই! মাত্ৰ এহেজাৰ মুদ্ৰা একোপধ্যে যোগাৰ কৰিব নোৱৰাত তাইৰ বিয়াখন পাতিব পৰা নাই। আমাক এই বিষয়ত সহায় নকৰিলেই নহৈছে।"

"এই কথাত চিন্তা কৰিবলগীয়া কি আছে? এতিয়াই মহাজনৰ ওচৰলৈ যাওক আৰু কৰ্জা-খতত চহী এটা মাৰি মুদ্ৰা লৈ আহকগৈ।" ৰমানাথে ক'লে।

"কৰ্জা-খত? তাৰ মানে—তুমি কৰ্জা-

খত লিখোৱাইহে মুদ্ৰা দিবা?" মহেশৰ দেউতাকে সুধিলে।

"ওঁ, কিয়নো—আত্মীয়-স্বজনক মই আৰু মগনিয়াৰৰ ৰূপত দেখিবলৈ নিবিচাৰোঁ। আনৰ সহায় লোৱাকে মগনিয়াৰ বুলি কোৱা হয়, নহয়?"

"কেৱল মুখৰ কথাৰে নহ'ব?"

"নহয়, নহ'ব। মুখৰ কথাত আপুনি কাৰোবাক উধাৰ দি চাওক—তেতিয়া মোৰ কথা বুজি পাব।" ৰমানাথে ক'ল।

ৰমানাথ পা-পৰিয়ালে পুনৰ বাটত ভৰি দিলে। গৈ গৈ ভাগৰি পৰি পুনৰ এজোপা গছৰ তলত শুই জিৰণি ল'বলৈ ধৰিলে। ল'ৰা-ছোৱালীহঁত টোপনি গ'ল। ৰমানাথৰ পত্নীয়ে ৰমানাথক সুধিলে, "আপুনি সকলোকে সহায় কৰিলে, কিন্তু মহেশৰ দেউতাৰক কিয় সহায় নকৰা হ'ল?"

"তুমি একেবাৰেই অবুজনজনী হৈ আছা। আন সকলোকেইজন আছিল প্ৰকৃততেই দুখীয়া। কিন্তু মহেশৰ দেউতাৰ আছিল কেৱল মুদ্ৰা-লুভীয়া। কোনো প্ৰকৃত প্ৰয়োজন থকাহেঁতেন তেওঁ কৰ্জা-খত লিখিয়েই মুদ্ৰা ল'লেহেঁতেন।"

তাৰ পাছত ৰমানাথৰ পত্নী, আৰু ৰমানাথো টোপনি গ'ল।

আৰু এইবাৰো টোপনিত সেই সাধুৱে ৰমানাথক পুনৰ দেখা দিলে আৰু ক'লে, "বোপা, এইবাৰ যে বুজ-বিবেচনাৰে দান কৰিছা, সেই কথাত মই ভাল পাইছোঁ। মনত ৰাখিবা—দান-ধৰ্মৰো যোগ্য পাত্ৰা-পাত্ৰ আছে। সম্পদীয়া পাৰবিলাক ধান খাই উৰি যায়। গতিকে—দানত প্ৰাণ হেৰুৱালে কাৰো কোনো লাভ নহয়।" এই বুলি কৈয়েই সাধু অন্তৰ্হিত হ'ল।

তাৰ পাছত ৰমানাথে তেওঁৰ জীৱন-কালতে বুজ-বিবেচনাৰে দান-ধৰ্ম কৰি 'দানবীৰ' আখ্যাৰে ভূষিত হৈছিল।

দস্যু যুৱৰাজ

১৫

[আগ কথা : জয়পুৰীৰ ৰজা শংকৰবৰ্মাদেৱে কনকদুৰ্গাৰ প্ৰতিষ্ঠা উৎসৱ সমাৰোহৰে পাতিছিল ; কিন্তু লোভী বীৰসিংহৰ ক্ৰুৰ সেনাপতি সৰ্পদন্তই সেই উৎসৱৰ কালতে জয়পুৰীক অতৰ্কিত আক্ৰমণ কৰি কনকদুৰ্গাৰ প্ৰতিমা কাঢ়ি লৈ গ'ল। কিন্তু এই সোণৰ প্ৰতিমা কনক দুৰ্গাক নাৱেৰে লৈ যাওঁতে অকস্মাৎ—যেনিবা আকাশ ফালি কোনোবা নামি আহি এডাল ৰছীৰে খোচ-গাঁঠি লগাই নাৱৰপৰা সেই কনকদুৰ্গাক শূন্যলৈ দাঙি নৈপৰীয়া বৰগছৰ ইডাল-সিডাল বগাই নৈৰ সিপাৰৰ অটব্য অৰণ্যৰ ভিতৰলৈ অদৃশ্য হ'ল। আৰু তাৰ পাছত···]

"হেই—নাও ৰখা!" সৰ্পদন্তই সাপে ফেট মেলাৰ দৰে মূৰ দাঙি চিঞৰি উঠিল, "নাও—ৰখা!" সি তীব্ৰ গতিৰে ইখন নাৱৰ কাষ চাপি সুধিলেহি, "সেই ডাকুৱা ডকা দিয়াটো—কনকদুৰ্গাক এহাতেৰে দাঙি লৈ কেনি পলাল? তহঁতে সি বেটাক ধৰিব নোৱাৰিলি যে—চেৰাপ খাই চকু মেলি টোপনি মাৰি আছিলি নে কি?"

"হু—জ্‌জুৰ!" নাৱৰ এটা চিপাহীয়ে বেঙে মুতা গৰুৱে কঁপা দি কঁপি-জঁপি ক'লে, "সি চকুৰ "সি চকুৰ পচাৰতে চকুৰ আঁৰ হ'ল হা—হু—হুজু—ৰ!"

কথাখিনিৰ বুজ ল'বলৈ সৰ্পদন্তই সামান্য পৰলৈ ভেবা দিলে। কিন্তু চিপাহী-টোৰ কথা তাৰ একেবাৰে বিশ্বাস নহ'ল।

তিমানতে সৰ্পদন্ত আৰু তাৰ চিপাহী-

বিলাকো নৈৰ সিপাৰ পাই সেই অৰণ্যৰ অদূৰতে থিয় দিছিলগৈ। আটাইবোৰ চিপাহীয়েই ফেঁচামুৰা যেন হৈ টেলা-কুন্দা দি জীৰ নথকাৰ দৰে তলমূৰ হৈ থিয় হৈ আছিল। এইবোৰলৈ চাই সৰ্পদন্তৰ টিঙিচকৰে খং চৰি গ'ল। সি খঙতে—কনকতুৰ্গাক পৰ দি থকা সেই চিপাহী-টোক কাণটলীয়া এটা মাৰি চিঞৰি কৈ উঠিল. "বোলোঁ—ঐ লেহেতিয়াৰ সঁচ, তোৰ বাপেৰ আকাশ ফালি আহিল. কনকতুৰ্গাক দাঙি লৈ গ'ল, আৰু তই লেহেতিয়াৰ পো লেহেতিয়াই ৰামৰ খাই ৰাৱণৰ গীত গোৱাই কি কৰি আছিলি ক'। ক'চোন ক'। ক'—তই ঘোঁৰাৰ ঘাঁহ কটাই তেতিয়া লেঠুকে চুহি আছিলিনে?"

ইমানবিলাকৰ মাজত কাণটাহাটি খাই চিপাহীটোৰ অপমানত মৰি যাওঁ মৰি যাওঁ যেন লাগিছিল ; তথাপি—ক'ব তো কিবা লাগিবই। নহ'লে সৰ্পদন্তই তাক এতিয়া গুৰিয়াব নিশ্চয়। কিন্তু—কেনেকৈ কি ক'ব সি ? সঁচে-কাটে সঁচা ক'লেও বিশ্বাস নকৰিব কিজানি। তথাপি ক'ব তো কিবা লাগিবই। গতিকে সি ক'লে. "হুজ্—জুৰ! আমাৰ ইমানবোৰ বণুৱাৰ মাজৰপৰা যিটোৱে কনকতুৰ্গাক লৈ যাব পাৰে. সেইটো—নিশ্চয় মানুহ নহয়। মানুহ এটাই এই কাম হেলাৰঙে কৰিব পাৰেনে ?"

"তই—কি ক'ব খুজিছ ?" সৰ্পদন্তই সুধিলে।

"কনকতুৰ্গাক কাঢ়ি লৈ যোৱাটো কোনো ডকা-দিয়া ডকাইত নহয়, সেইটো নিশ্চয় কোনোবা এটা দেওহে হ'ব।"

"অহ্! অ্যায়ছি বৰাত্! কথা এয়ে!" সৰ্পদন্তই শিৰ-ফুটাটিৰ দৰে ক'লে. "ঠিক আছে. আমাৰ সেই বীৰসিঙ্গাটোক—কি বোলেনে—হেই বেটা—তোক কৈছোঁহে—মহাৰাজক এই কথা তয়েই ক'বি ?"

শান্তিপুৰ পাই. শিলৰ মূৰ্তিহেন হৈ

বহি থকা, বীৰসিংহ ৰজাক কোৱা হ'ল যে—মাজনিশা হঠাৎ এটা ধুমক'লা ডকাইতে নাৰৱপৰা কনকদুৰ্গাক কাঢ়ি লৈ চকুৰ পচাৰ নৌ পৰোঁতেই উধাও হৈ গ'ল।

ধূৰ্ত্তৰো ধূৰ্ত বীৰসিংহই এই কথাৰ এটা আখৰো বিশ্বাস নকৰা হ'ল। কিন্তু বীৰসিংহ বৰ চিন্তাত পৰিল। সম্প্ৰতে—সকলো ফালেই কেৱল পৰাজয় আৰু পৰাজয়। আনকি ভেকুলীয়েও লাথি মৰা হৈছে। কিয় হৈছে এইবোৰ? কোনোবা-কুমুবিয়ে কিবা ধৰণে যাদু কৰিলেনে কি?

ইপিনে—জয়পুৰীতো বিপদজনক অৱস্থা। জয়পুৰীৰ ৰজা শংকৰবৰ্মাদেৱো অতিপাত চিন্তিত। বীৰসিংহৰ এমুঠিমান সৈন্যৰ আগতো তেওঁৰ সৈন্যইঁতে আনকি হাত দণ্ডাৰ আগতেই কনকদুৰ্গাক কাঢ়ি লৈ গ'ল। তাত গোটা খোৱা প্ৰজাবৰ্গৰ চকুৰ আগত তেওঁৰ দুৰ্বলতা প্ৰকটভাৱে প্ৰকাশিত হৈ পৰিল। শান্তিপুৰ ৰাজ্যত যে এক দুষ্টাত্মাই লম্ভিছে—জয়পুৰীৰ প্ৰজাই জানে, কিন্তু সেই দুষ্টাত্মাই জয়-পুৰীকো কিয় ছাৰখাৰ কৰিব?

এনেতে হঠাৎ বীণাৰ ঝংকাৰৰ দৰে মধুৰ কণ্ঠেৰে শংকৰবৰ্মাদেৱৰ একমাত্ৰ পুত্ৰী সুকন্যাই কৈ উঠিল, "দেউতা, ইমানকৈ চিন্তিত ন'হব। কনকদুৰ্গা যদি সঁচাকৈয়ে আমাৰ—তেওঁ নিশ্চয় নিজেই পুনৰ আমাৰ ৰাজ্যলৈ আহিব।"

শংকৰবৰ্মাদেৱৰ মুখত বিষাদৰ হাঁহিয়ে ঢৌৱাই গ'ল। তেওঁ জীয়েকৰ এই কথাৰ উত্তৰত একো নক'লে। মূৰ্তি এতিয়া শত্ৰুৰ কবলত। এই শত্ৰুও বৰ সামান্য শত্ৰু নহয় যে তেওঁ পৰাস্ত কৰিব পাৰিবই। গতিকে কনকদুৰ্গাক ঘূৰাই পোৱাৰ আশা নাই।

"দেউতা!" সুকন্যা চৰাইৰ মাতৰ দৰে মাত এষাৰি শুনা গ'ল।

শংকৰবৰ্মা উচপ খাই উঠিল। তেওঁ ইফালে-সিফালে চাৰলৈ ধৰিলে আৰু তাত জয়ানন্দ মুনিৰ আশ্ৰমৰ চৰাই মল্লিক বহি

থকা দেখা পালে।

মল্লিক দেখা পাই শংকৰবৰ্মা বহাৰপৰা থিয় হ'ল। প্ৰাসাদৰ স্তম্ভ এটাৰ ওপৰত বহি থকা মল্লিয়ে উৰা মাৰি তললৈ নামি আহিল আৰু দীপাধাৰৰ ওপৰত অৰ্থাৎ গছ৷ এটাৰ ওপৰত বহি পিছ ফাললৈ ঘূৰি ঘূৰি চাবলৈ ধৰিলে। মল্লিৰ এই ইংগিত শংকৰবৰ্মাই বুজাকৈ নাথাকিল আৰু তেওঁ মল্লিৰ পিছে পিছে গৈ থাকিল। সুকন্যায়ো পিতৃৰ পিছে পিছে গ'ল।

গৈ গৈ মল্লি শংকৰবৰ্মাৰ উদ্যান পালেগৈ। তেতিয়া আকাশত পূৰ্ণচন্দ্ৰ জলমলাইছিল, চৌভিতি জোনাক বিয়পি পৰিছিল। মল্লি এজোপা ডালিমৰ ওপৰত বহিলগৈ। সকন্যা শংকৰবৰ্মাও সেই পিনে খোজ দি থাকিল। হঠাৎ সুকন্যাই চেপা মাতেৰে কৈ উঠিল, "দেউতা! চাওক, গোসাঁনী পুনৰ আমাৰ ঘৰলৈ আহিল!"

বীৰসিংহৰ চিপাদাৰ সৰ্পদন্তই বলেৰে কাঢ়ি লৈ যোৱা কনকচুৰ্গা পুনৰ ইয়াত! ডালিমৰ তলত! সুকন্যাই দৌৰি গৈ কনকচুৰ্গাক সাৰট মাৰি ধৰিলে আৰু উচুপি উচুপি ক'লে, "দেউতা—মই কোৱা নাছিলোঁনে—গোসাঁনী আমাৰ ঘৰলৈ পুনৰ আহিব? এতিয়া চাওক।"

স্তম্ভিত শংকৰবৰ্মা স্থানুৰ দৰে থিয় হৈ থাকিল। এনে অভাৱিত ঘটনা যে কোনে-কেনেকৈ ঘটালে—বাৰে বাৰে ভাবিও উৱাদিহ উলিয়াব নোৱৰা হ'ল।

মল্লিয়ে উল্লাহতে হাঁহিলে, উৰি উৰি চুপাকমান নাচিলে আৰু ডালিমজোপাৰ এহাতমান আঁতৰত উৰি উৰি ঘূৰি ঘূৰি গীত গাবলৈ ধৰিলে। আৰু—

আৰু ঠিক সেই মুহূৰ্তত শংকৰবৰ্মাদেৰে ডালিমজোপাৰপৰা অলপমান আঁতৰত আন এজোপা গছৰ ডাল-পাতৰ আঁৰত এজন সুন্দৰ-সুঠাম যুৱকক থিয় হৈ থকা দেখা পাই তৰধ মানিলে।

সেই গছজোপাৰ ডাল-পাতৰ আঁৰৰ-

পৰা যুৱকজন ওলাই আহিল আৰু শংকৰবৰ্মাদেৱক সসম্ভ্ৰমে নমস্কাৰ কৰি ক'লে, "মই কোন—আপুনি নিশ্চয় নাজানে। কিন্তু মই মোৰ গুৰুদেৱ জয়ানন্দ মুনিৰপৰা আপোনাৰ কথা অনেক শুনিছোঁ।"

"তুমি···তুমি নিশ্চয় যুৱৰাজ সন্দীপ! নহয়নে?" শংকৰবৰ্মাদেৱে প্ৰসন্নতাৰে যুৱকজনক সুধিলে।

সন্দীপে ক'লে, "আপোনাৰ অনুমান অভ্ৰান্ত। মই আপোনাৰ সেৱক।"

পাছ মুহূৰ্ততে শংকৰবৰ্মাদেৱে যুৱৰাজ সন্দীপক বুকুত আঁকোৱালি ল'লে আৰু ক'লে, "মই যে তোমাক দেখিবলৈ কিমান আগ্ৰহৰে বাট চাই আছিলোঁ।—তুমি নিশ্চয় নাজানা। ইমান দিনৰ অন্তত মোৰ সেই অধীৰ আগ্ৰহ পূৰিল। তাৰ বাবে ভগৱন্তলৈ মই অপাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তথাপি—আমাৰ কনকদুৰ্গা পুনৰ কেনেকৈ আমাৰ ৰাজ্যলৈ তথা গৃহলৈ আহিল — সৰ্পদন্তৰ কবলৰপৰা আই কনকদুৰ্গাক কোনে উদ্ধাৰ কৰিলে— নজনালৈকে শান্তি নাপাওঁ।"

"গোসাঁনী কনকদুৰ্গাক সৰ্পদন্তৰ কবলৰপৰা উদ্ধাৰ কৰি অনাৰ সৌভাগ্য—মোৰেই।" যুৱৰাজ সন্দীপে হাঁহিৰে মুখখন উজলাই ক'লে।

"কেনেকৈনো উদ্ধাৰ কৰিলা, বোপা!"

শংকৰবৰ্মাই সুধিলে।

তেতিয়া সন্দীপে সংক্ষিপ্তভাবে কনকদুৰ্গা উদ্ধাৰৰ কাহিনী শংকৰবৰ্মাদেৱক বুজাই ক'লে।

শুনি শংকৰবৰ্মাই আচৰিত মানিলে আৰু পুনৰ সন্দীপক সুধিলে, "তথাপি—ইমান গধুৰ সোণৰ প্ৰতিমা তুমি কেনেকৈনো এহাতেৰে দাঙি ইমানবোৰ শত্ৰু সৈন্যৰ চকুত বালি মাৰি লৈ গুচি আহিলা কোৱাচোন ?"

"কথাটো—ভাবিলে—এতিয়া মোৰো আচৰিত যেন লাগি যায়। পুনৰ এবাৰ এই কাম কৰিবলৈ হ'লে—ময়ো বোধ কৰেঁা নোৱাৰিম। কিন্তু তেতিয়া—মোৰ দেহত কিবা যেন এক বিচিত্ৰ শক্তিয়ে বাহ লৈছিল, যি শক্তিৰ—ব্যাখ্যা বিচাৰি পোৱা টান।" সন্দীপে ক'লে।

"এই শক্তি আছিল দৈৱী-শক্তি—সেই কথাত সন্দেহ নাই। দেৱী কনকদুৰ্গায়েই আপোনাক এই শক্তি প্ৰদান কৰিছিল আৰু আপোনাক লগত লৈ পুনৰ আমাৰ গৃহলৈ আহিল।" সুকণ্ঠী সুকন্যাই ক'লে।

সন্দীপে সুকন্যালৈ আশ্চৰ্য্য মুগ্ধ দৃষ্টি মেলি চালে।

শংকৰবৰ্মাদেৱে মৃদুকৈ হাঁহি মাৰি ক'লে, "ৰাজকোঁৱৰ! এইজনী মোৰ কন্যা—সুকন্যা। যুৱৰাজৰ সৈতে কেনেকৈ কথা পাতিব লাগে—সেই ধাৰণা এইৰ নাই। আগলৈ শিকিব।"

"কিন্তু—সঁচা কথা ক'বলৈ শিকিব নালাগে।" যুৱৰাজে মিচিকীয়াই হাঁহি মাৰি ক'লে।

শংকৰবৰ্মাদেৱে জীয়েকলৈ চাই সস্নেহেৰে ক'লে, "আই, সচ্চহতে যুৱৰাজ আমাৰ অতিথি। তেওঁক যথাবিধি সৎকাৰ কৰা আমাৰ কৰ্তব্য।"

"মই আপোনালোকৰ সৈতে ৰাজমহললৈ যাব পাৰোঁ, কিন্তু মই তাত থাকিব নোৱাৰিম। কিয়নো—মোৰ অজস্ৰ



সংগীয়ে, বিশেষকৈ গুৰুদেৱ জয়ানন্দ মুনিয়ে মোলৈ বাট চাই থাকিব। আৰু বিশেষ কথা—আপোনাৰ সুৰক্ষাৰ বন্দৱস্ত কৰিবলৈকো যিমান শীঘ্ৰে সম্ভৱ উভতি যাব লাগিব। নহ'লে—আমাৰ বীৰ যুঁজাৰুসকল অযথা উৎকণ্ঠিত তথা বিভ্ৰান্ত হৈ পৰাৰ সম্ভাৱনা।"

এই বুলি কৈ কৈ ৰাজকোঁৱৰ সন্দীপ নীৰৱে-নিমাতে ৰজা শংকৰবৰ্মা আৰু সুকন্যাৰ পিছে পিছে গৈ থাকিল ৰাজ প্ৰাসাদলৈ বুলি।

প্ৰাসাদৰ সুৰম্য কক্ষত যুৱৰাজ সন্দীপ বহি আছিল। সুকন্যাই যুৱৰাজৰ আহাৰৰ কাৰণে বন্দৱস্ত কৰিবলৈ গ'ল। তেতিয়া শংকৰবৰ্মাদেৱে ৰাজকুমাৰ সন্দীপক ক'লে, "যুৱৰাজ, মই নিজৰ সুৰক্ষাৰ বাবে সিমান চিন্তান্বিত নহওঁ; কিন্তু তোমাৰ সুৰক্ষাৰ কথাতহে চিন্তিত। বীৰসিংহ জীয়াই থাকেমানে তোমাৰ খোজেপ্ৰতি বিপদ—এই বিশেষ কথাটি মই কদাপি পাহৰিব নোৱাৰোঁ। দুষ্ট বীৰসিংহক পৰ্য্যুদস্ত কৰাৰ এয়েহে প্ৰকৃষ্ট সময়।"

"বীৰসিংহক পৰ্য্যুদস্ত—বা তাক হত্যা কৰাৰ বহু সুযোগ আমি পাইছিলোঁ। কিন্তু কেৱল—এটা বীৰসিংহ বা সৰ্পদন্তক হত্যা কৰিলেই নহ'ব, এই আটাইবোৰ ষড়যন্ত্ৰীকে পুলিয়ে-পোখাই উভালি পেলাব লাগিব, আৰু সেইহে—সিহঁতক এটা-দুটাকৈ হত্যা নকৰি—সিহঁতৰ বিৰুদ্ধে প্ৰকৃত যুদ্ধ দিব লাগিব—ষড়যন্ত্ৰীৰ সঁচ-বিলাকক একেবাৰে নোহোৰা কৰিব লাগিব।"

ৰাজকোঁৱৰ সন্দীপে যেনিবা কিছু উত্তেজিত হৈ ক'লে।

এনেতে আহাৰ্য্য লৈ সুকন্যা পুনৰ কক্ষলৈ সোমাই আহিল আৰু সন্দীপৰ কথাখিনি শুনি পুতলাৰ দৰে স্থিৰ হৈ থিয় ঠাইতে ৰৈ থাকিল। [আগলৈ

জোনাকত হেৰুৱাই

তথাপি বিক্ৰমাদিত্য পুনৰ সেই গছৰ ওচৰলৈ গ'ল আৰু গছৰ ডালত ওলামি থকা মৃতদেহটো পুনৰ নমাই আনি কান্ধত পেলাই লৈ একমনে শ্মশানলৈ বুলি গৈ থাকিল। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্, তুমি যে যুগ যুগ ধৰি কিয় এই কঠিন কৰ্ম কৰিছা, তুমিহে কব পাৰিবা। পিছে— কথা এটি কৈ থওঁ, জোনাকত হেৰুৱাই আন্ধাৰত বিচাৰি ফুৰিলে কোনো লাভ নহয়। এই প্ৰসংগত চন্দ্ৰকান্তৰ কাহিনী কওঁ শুনা। পায়ো হেৰুৱাৰ এই কাহিনী শুনি শুনি গৈ থাকিলে আন নহ'লেও তোমাৰ পথশ্ৰম কিঞ্চিত লাঘৱ হ'ব।"

এই বুলি কৈ বেতালে চন্দ্ৰকান্ত-কাহিনী বিক্ৰমাদিত্যক ক'বলৈ ধৰিলে ঃ

'বেতাল-কথা'

চন্দ্ৰকান্ত সৰুতেই মাউৰা হ'ল। তাৰ পাছত—বুঢ়ী আইতাকে তাক কিছু দীঘল কৰি দিলে আৰু এদিন তাৰ আইতাকো সিফলীয়া হ'ল। পৈতৃক সম্পত্তি বোলোঁতে তাৰ আছিল পাঁচ হালিচামান মাটি। কিন্তু এই মাটি ছনপৰা। আনকি ঘাঁহো নগজে-নোপজে। এই ছনপৰা মাটিৰ বাদে টকা-পইচা বোলোঁতে চন্দ্ৰকান্তৰ আৰু একোৱেই নাছিল।

এৰাতি—একোপধ্যে টোপনি নহাত চন্দ্ৰকান্ত তাৰ সেই ছনপৰা মাটি ডৰালৈ গ'ল। উদ্দেশ্যহীনভাবে টহলি ফুৰাৰ অন্তত সি তাত বহিল আৰু জোনাক ৰাতিৰ জলমলনিয়ে তাক অভিভূত কৰি পেলালে। লাহে লাহে তাৰ চকু যুৰি মুদ খাই আমিল। টোপনিৰ জেলেকাত সি ৰাধ্যত পৰি মাটিতে শুই দিলে। কিন্তু—তথাপি তাৰ টোপনি নাহিল।

হঠাৎ ৰুণজুনকৈ কিবা এটা শব্দ উঠাত সি জাগি উঠিল আৰু সি তাৰ বিস্ময়-বিস্ফাৰিত দৃষ্টিৰে এক অপূৰ্ব সৌন্দৰ্য্যৱতী যুৱতীক তাৰ পিনে এখুজি-দুখুজিকৈ—যেনিবা বতাহৰ বোকোচাত উঠি মহাশূন্যৰ মাজেদি উৰি উৰি আহি থকা দেখা পালে।

এনে জোনাক ৰাতিৰ দুপৰ পৰতে ক'ৰবাৰপৰা অহা যুৱতী এজনী—দেৱকন্যাৰ বাহিৰে আৰুনো কি হ'ব পাৰে? চন্দ্ৰকান্তই ভাবিলে। তাৰ কায চাপি অহাত চন্দ্ৰকান্তই যুৱতীজনীক ক'লে, "তুমি কিমান যে সৌভাগ্যৱতী! দুখৰ মুখ বোধ কৰোঁ জীৱনত কেতিয়াও দেখা নাই তুমি। সেইহে, এই জোনাক নিশা নাচি-বাগি ফুৰিব পাৰিছা। আৰু আমাৰ—মানুহ হৈ জনমি কিমান যে আলৈ-আথানি হৈছোঁ, নাকনি-কাননি খাইছোঁ!" কৈ থাকিলে উৱাই ৰাতি পুৱাই যাব, তথাপি শেষেই নহ'ব।

এই যুৱতীৰূপী দেৱকন্যাই চন্দ্ৰকান্তক

ভালকৈ নিৰীক্ষণ কৰি ক'লে, "বয়সে কিজানি একুৰিৰ ডেওনাও পাৰ হোৱা নাই, কিহৰ কাৰণেনো ইমান দুখৰ পাচি কঢ়িয়াই ফুৰিছা? আত্মশক্তিত আস্থা ৰাখিবা, দৃঢ় সংকল্প ল'বা, চাবা, দুখ কৰিলেই মুখ ভৰে। —বাৰু, তোমাৰ কিহৰনো দুখ মোৰ ওচৰত ভাঙি-পাতি কোৱাচোন?"

চন্দ্ৰকান্তই নিজৰ নিৰুপায় অৱস্থাৰ কথা কোৱাৰ পাছত অতি নম্ৰতাৰে সুধিলে, "এতিয়া তুমিয়েই কোৱাচোন মা, মই কি কৰোঁ?"

দেৱকন্যাই মিচিকীয়াই হাঁহি মাৰি ক'লে, "এই মাটিডৰা তোমাৰ। এই এই মাটিডৰাতে অপাৰ সৌভাগ্যও আছে তোমাৰ।"

"কিন্তু দেখিছাই—এই মাটি একেবাৰে ছনপৰা— যাক বোলে—বন্ধ্যা।" চন্দ্ৰই ক'লে "আনকি এই মাটিত এডাল ঘাঁহো কেতিয়াও নোপজে।"

তেতিয়া দেৱকন্যাই চন্দ্ৰকান্তক ক'লে, "চোৱাঁ, মই তোমাক বৰ দিম। এই ছনপৰা মাটিতে বন কৰিবা, মূৰৰ ঘাম মাটিত পেলাবা, নিশ্চয় শস্য উপজিব। মোৰ বৰ দানৰ পৰিবৰ্তে—মোক তোমাৰ এই মাটিত ঘূৰি ফুৰিবলৈ দিবা, বিন্ধ্যবাসিনী দেৱীক পূজিবৰ বাবে ফুল বুটলিবলৈ দিবা। এই মাটিৰ এচুকত তুমি যিমানখিনি পাৰা ফুল পুলি ৰুবা। মোৰ এই চৰ্তৰ কথা কদাপি নাপাহৰিবা। পাহৰিলেই কিন্তু তুমি বিপাঙত পৰিবা।"

দেৱকন্যাৰ প্ৰস্তাৱত চন্দ্ৰকান্ত সন্মত হ'ল। এমাহতে চন্দ্ৰকান্তই ছনপৰা মাটিতে হাল বাই মৈয়াই ঠিকঠাক কৰি— মাটিডৰাৰ একালে কুঁহিয়াৰৰ খেতি, আন এচুকত ফল আৰু ফুলৰ পুলি ৰুলে আৰু বাদবাকী মাটিত ধানৰ বীজ সিঁচিলে। এই মাটিডৰাৰ একাষত কি তাৰ থকা-মেলাৰ বাবে এটা সৰু কিন্তু ধুনীয়া

"সকলো তোমাৰ বৰৰ যহতে হ'ল। নহ'লে—এতে ছনপৰা-যখেধৰা মাটিতো শস্য ওপজেনে?" চন্দ্ৰকান্তই ক'লে।

"তেনেকৈ নক'বা। তোমাৰ মাটিডৰা ছনপৰা আছিল বুলিহে মোৰ বৰৰ আৱশ্যক হৈছিল। মাটিখিনি সাৰুৱা হোৱাহেঁতেন মোৰ বৰ দানৰ কোনো আৱশ্যক নহ'লেহেঁতেন। নহয় জানো? গতিকে—শ্ৰম কৰি কাম, কাম কৰি খাম আৰু কামত দৃঢ় সংকল্পয়েই হ'ল প্ৰকৃততে আচল কথা।" দেৱকন্যাই চন্দ্ৰকান্তক ক'লে।

সেই নিশা দেৱকন্যা বহুতোপৰলৈকে চন্দ্ৰকান্তৰ ফুলনিত ঘূৰি ফুৰিছিল। হয়তো সেই কাৰণেই—ফুলপুলিৰ মাজে মাজে যিবোৰ ফলৰ গছ আছিল, যিবোৰ ফলগছত পাঁচ বছৰৰ আগতে কোনো ফল লগাৰ কথা নাছিল—সেইবোৰ ফলগছত তৎক্ষণাৎ ফল লাগিল। কুঁহিয়াৰ আৰু ধানখেতিৰে খেতি-পথাৰো চাওঁতে চাওঁতে শস্যেৰে নদন-বদন হ'ল। আৰু তাৰ ফলত এইবাৰ চন্দ্ৰকান্তই ৰইনাই দি কোঁচাব পৰা হ'ল।

বছৰদিয়েকৰ অন্তত চন্দ্ৰকান্তই ধনত শিতান দি থাকিব পৰা হ'ল, আৰু সি এইবাৰ তাৰ জুপুৰিৰ ঠাইত পকী ঘৰ এটা জুপুৰিও সাজি ল'লে।

কথা আচৰিত হ'লেও সঁচা যে—দেৱকন্যাৰ বৰৰ বলত ছনপৰা মাটিতে লহপহীয়া শস্য উপজিল। সেই শস্য বেচি চন্দ্ৰকান্তই ওনা-ওনে ধন ঘটিলে আৰু দেৱকন্যায়ো চন্দ্ৰকান্তৰ সেই মাটিডৰাৰপৰা ইচ্ছামতে আৰু যেতিয়াই-তেতিয়াই ফুল বুটলি থাকিল।

এনিশা দেৱকন্যাই চন্দ্ৰকান্তক কথাই কথাই ক'লে, "দেখিলাই নহয়, কিছু দুখ কৰি মুখ ভৰোৱাটো মানুহৰ পক্ষে মুঠেই টান কাম নহয়। আচল কথা হ'ল—জীয়াই থকাৰ প্ৰবল ইচ্ছা।"

সজাবলৈ মন মেলিলে। কিন্তু পকী ঘৰ এটা আটোমটোকাৰিকৈ সজাবলৈ হ'লে কিছুমান ফলৰ আৰু ফুলৰ গছো কাটি পেলাই ঠাইডোখৰ চাফা কৰি ল'ব লাগিব। নিৰ্দ্বিধাই চন্দ্ৰকান্তই তাকে কৰিলে, ভালেমান ফল-ফুলৰ গছ ঘচং ঘচংকৈ কাটি পেলালে।

সেই নিশা দেৱকন্যাই আহি এই দৃশ্য দেখা পাই মৰ্মাহত হ'ল। কিন্তু—দেৱকন্যাই একো কোৱাৰ আগতেই—চন্দ্ৰকান্তই দেৱকন্যাক দেখিও নেদেখাৰ ভাও জুৰি ঘৰৰ ভিতৰলৈ গুচি গ'ল।

চন্দ্ৰকান্তই লাহে লাহে কামৰপৰা এৰা দিলে। এতিয়া তাৰ খেতি-পথাৰত খেতি-বন্দুৱাহঁতেহে কাম কৰে আৰু চন্দ্ৰকান্তই গাঁৱৰ চাৰিআলিলৈ গৈ সদায় আৰ-তাৰ লগত মেল মাৰে।

এদিন দেৱকন্যাই ক'লে. "চন্দ্ৰকান্ত, এতিয়া ফুলনিৰ ওচৰত নানান তৰহৰ মানুহ অহা-যোৱা কৰে, মই আগৰ দৰে ইয়াত ঘূৰি ফুৰিবলৈ টান পাওঁ। তুমি নিজেই আগৰ দৰে ফুলপুলিত পানী-ছুনি দি থাকিলে মই বৰ ভাল পাম।"

এই কথাত চন্দ্ৰকান্তই আমনি পাই ক'লে, "আগৰ দৰে সময়—এতিয়া আৰু মোৰ হাতত নাই নহয়? আৰু—এতিয় আৰু আগৰদৰে খেতি পথাৰ পৰ দি বহি থাকিবলৈকো মোৰ দৰ্কাৰ নাই। আৰু





—মাগ'ল ৰাতিৰ পৰতে বা যেতিয়াই-তেতিয়াই ঘাতে কোনো ইয়াত সোমাব নোৱাৰে তাৰো বন্দৰস্ত কৰিম মই।”

দেৱকন্যাই চন্দ্ৰকান্তৰ কথাত একো মাত নামাতিলে।

এই ঘটনাৰ পাছ দিনা, এজন ৰাজকৰ্মচাৰী ক'ৰবালৈ গৈ থাকোঁতে ৰাতি চন্দ্ৰকান্তৰ ঘৰতে খপিব বুলি সোমাল। চন্দ্ৰকান্তই ৰাজকৰ্মচাৰীজনক ভালকৈ খুৱালে-বুৱালে আৰু আৰাম-বিৰামৰ বন্দৰস্ত কৰি দিলে। চন্দ্ৰকান্তই এই ৰাজকৰ্মচাৰীজনৰপৰা কথা এটা শুনিলে যে—যোৱা চাৰি বছৰৰপৰা মহাৰাজৰ সৰ্বাংগত ডাঙৰ ডাঙৰ ফোঁহোৰা হৈছে আৰু ৰাজবৈদ্যই আৰু দেশৰ ডাঙৰ ডাঙৰ নাম-ডাক থকা বৈদ্যয়ো চিকিৎসা কৰি একো সুফল নোপোৱা হৈছে। কিছু দিনৰ আগতে একজন সাধুৱে মহাৰাজক পৰীক্ষা কৰি কৈছিল যে হিমালয়ৰ এবিধ ফুলৰ ৰস পিহি উলিয়াই লগালেহে এইবোৰ ফোঁহোৰা ভাল হৈ যাব। মহাৰাজে সাধুগৰাকীৰ লগত কেইজনমানক হিমালয়লৈ পঠাই ফুল নহয়—সেই ফুলৰ গুটি অনাইছিল। কিয়নো ইমান দূৰৰ-পৰা ফুল আনিলে শুকাই গ'লহেঁতেন, আৰু তাৰপৰা ৰসো নোলালহেঁতেন। কিন্তু ফুলৰ সেই গুটিও ইয়াৰ হাওৱা-পানীত বেয়া হ'ল, পোকে খালে, আৰু তাৰে ফুল ন'হল, আৰু তাৰ ফলত মহাৰাজো ভাল হৈ নুঠিল। এতিয়া মহাৰাজে ঘোষণা কৰিছে যে—কোনোবাই তেওঁৰ গাৰ ফোঁহোৰা তথা ঘা ভাল কৰি দিয়ে যদি—সেইজনক বিৰাট পুৰস্কাৰ আৰু লগতে ৰাজ্যৰ আধাভাগৰ ৰজা পাতি দিয়া হ'ব।”

ৰাতি পুউৱাৰ লগে লগে ৰাজকৰ্মচাৰী-জনো গুচি গ'ল, আৰু লগে লগে চন্দ্ৰকান্তও ৰাজধানীলৈ বুলি ৰাওনা হ'ল।

চন্দ্ৰকান্তই মহাৰাজৰ বেমাৰ ভাল কৰি

দিব বুলি দঢ়াই কোৱাত মহাৰাজে চন্দ্ৰকান্তক সেই পোকে কুটা ফুলৰ গুটি দিয়ালে। চন্দ্ৰকান্তই সেই গুটি তাৰ ঘৰৰ কাষতে ছটিয়ালে। ৰাতিপুৱাতে অতবোৰ গুটিৰপৰা মাত্ৰ এজোপা পুলি ওলাল, গধূলিতে ফুলৰ কলি এটা দেখা গ'ল, আৰু কিছু সময়ৰ অন্তত সোণোৱালী বৰণৰ জলমলীয়া ফুলো ফুলিল।

ঠিক তেতিয়াই দেৱকন্যা তালৈ আহিল আৰু এনে আচৰিত বৰণীয়া ফুল দেখা পাই কৈ উঠিল, "কিম্মান যে ধুনীয়া এই ফুল! মই বিন্ধ্যবাসিনীদেৱীক পূজিবলৈ এই ফুল লৈ যাম।" এই বুলি কৈয়েই সেই ফুল বুটলিবলৈ দেৱকন্যা এখুজি-দুখুজিকৈ আগ বাঢ়িল।

লগে লগে চন্দ্ৰকান্তই দেৱকন্যাক হাত দাঙি ৰখালে আৰু ক'লে, "এই ফুল তোমাৰ কাৰণে নহয়, এই ফুল তুমি নোপোৱা। এই ফুলেৰে মই আধা ৰাজ্যৰ ৰজা হ'ব পাৰিম।"

"কিন্তু—তুমি মোক কথা দিছিলা যে—? কৈছিলা যে—মই মোৰ ইচ্ছামতে তোমাৰ ফুলনিৰপৰা ফুল বুটলিব পাৰিম। কথাখিনি পাহৰিলাইনে?"

"সেইবোৰ গ'ল কথা গুচিল। এতিয়া মই ৰজা হ'বলৈ ওলাইছোঁ।"

"ঠিক আছে, হোৱা তেনে ৰজা।" এই বুলি কৈয়েই দেৱকন্যা নোহোৱা হ'ল।

চন্দ্ৰকান্ত অলপো বিচলিত নহ’ল। এই ফুল লৈ ৰংমনে ৰাজধানীলৈ বুলি ৰাওনা হ’ল। কিন্তু অকস্মাৎ বিৰাট এটা অঘটন ঘটিল।

ৰজা হোৱাৰ সপোনত বিভোৰ হৈ চন্দ্ৰকান্তই দেৱকন্যাক ফুল দিবলৈ অস্বীকাৰ কৰাৰ প্ৰতিফলস্বৰূপেই হওক বা স্বাভাৱিক কাৰণতেই হওক—চন্দ্ৰকান্তই মাজ বাটতে মহাৰাজৰ মৃত্যু-সংবাদ পালে।

অতি দুখ মনেৰে চন্দ্ৰকান্ত নিজৰ ঘৰলৈ উলটিল। উলটি আহি তাত ফুলনিৰ আটাইবোৰ ফুলপুলি শুকাই মৰহি যোৱা দেখা পালে। আৰু তাৰ পাছত—

চন্দ্ৰকান্তৰ একালৰ ছনপৰা মাটি পুনৰ ছনপৰা মাটিলৈ ৰূপান্তৰিত হ’ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, “হে ৰজা, দেৱকন্যাৰ এনে আচৰণ সমৰ্থনীয়নে? কিয় দেৱকন্যাই এই কাম কৰিলে? জানিও সঠিক উত্তৰ নিদিলে ‘তোমাৰ মুৰ ফাটি অৱশ্যেই চাৰিফাল হ’ব।”

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক’লে, “চন্দ্ৰকান্তৰ দৰে প্ৰতিশ্ৰুতি ভংগকাৰী তথা লোভী মানুহ এজন কোনোবা ৰাজ্যৰ ৰজা হোৱাহেঁতেন, সেই ৰাজ্যৰ প্ৰজাই অশেষ দুখ-দুৰ্গতিত পৰিলেহেঁতেন। এই কথাটি ভাবিয়েইহে দেৱকন্যাই চন্দ্ৰকান্তৰ ৰজা হোৱাৰ আশাত চেঁচা পানী ঢালিছিল। মহাৰাজৰ আয়ুস শেষ হৈছিল বুলিহে তেওঁৰ মৃত্যু হৈছিল, দেৱকন্যাই মহাৰাজক মাৰি পেলোৱা নাছিল। কিন্তু চন্দ্ৰকান্তই লৈ যোৱা ফুল দেবকন্যাই শুকুৱাই পেলাইছিল। দেৱকন্যাই মানুহৰ হিতাৰ্থেই এই কাৰ্য্য বাধ্যত পৰিয়েইহে কৰিছিল।”

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ’টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ’ল। [কল্পিত

ভাৰতৰ অন্তৰ-চেতনা কি ?

স্বামী বিবেকানন্দই (১৮৬৩-১৯০২) ভাৰতৰ জনসাধাৰণক তেওঁলোকৰ আজন্ম-লালিত অন্ধবিশ্বাস তথা নিষ্ক্ৰিয়তাৰপৰা জাগি উঠিবলৈ আহ্বান জনাইছিল। এই মহান যোগীপুৰুষে ভাৰতৰ উত্থানৰ ৰহস্য জ্ঞাত আছিল। তেওঁ কৈছিল: এই ৰহস্য হ'ল ভাৰতীয় ধৰ্ম তথা পাৰলৌকিকতা।

"প্ৰতিজন মানুহৰ থকাৰ দৰেই প্ৰতিখন ৰাষ্ট্ৰৰো নিজ নিজ জীৱন-তত্ত্ব আছে. যি জীৱন-তত্ত্বত নিহিত আছে উত্তিষ্ঠিত-জাগ্ৰত হোৱাৰ মন্ত্ৰ আৰু যি মন্ত্ৰ একতাৰো প্ৰণস্বৰূপ। ...... যদি কোনো ৰাষ্ট্ৰই তাৰ পুৰুষ পৰম্পৰাই গঢ়ি উঠা, চলি অহা নিজত্বক তথা জীৱন-তত্ত্বক বিসৰ্জন দি, বা পৰিৱৰ্তিত কৰি পুনৰ্গঠনৰ প্ৰচেষ্টালিপ্ত হয়, সেয়া হ'ব অত্যন্ত ভ্ৰমাত্মক পথ। এনেহেন ৰাষ্ট্ৰৰ ক্ষয় তথা ধ্বংস অনিবাৰ্য। ......কোনো কোনো ৰাষ্ট্ৰৰ ক্ষেত্ৰত ৰাজনৈতিক শক্তিয়েই হ'ল জীৱন. যেনে—ইংলণ্ড। কোনো কোনো ৰাষ্ট্ৰৰ জীৱন-তত্ত্ব হ'ল কলাত্মক পৰিশীলন, কোনো ৰাষ্ট্ৰৰ হয়তো আন কিবা। ভাৰতৰ ৰাষ্ট্ৰ-জীৱনৰ সম্পূৰ্ণ সংগীত হ'ল ধৰ্ম।"

স্বামী বিবেকানন্দৰ মতে—ধৰ্ম হ'ল সত্যৰ অন্বেষণ, কিছুমান শুষ্ক সংস্কাৰ-পালন নহয়। তেওঁৰ এই মহৎ প্ৰত্যাশাৰ তথা ভাৰতৰ অন্তৰ-চেতনাৰ আমি কিমানখিনি ওচৰ চাপিছোঁ, নিজক নিজেই সুধি চোৱা অৱশ্যক।

আমি জানো নে?

১. প্ৰাচীন ভাৰতৰ ৰাজাসকলৰ বিষয়ে বিস্তৃত তথ্য-জ্ঞাপনকাৰী বিদেশী মানুহগৰাকী কোন আছিল?
২. তেওঁ যিজন ৰজাৰ সম্পৰ্কে বিস্তৃতকৈ লিখিছিল, সেইজন ৰজা কোন আছিল?
৩. সেই ৰজাৰ ৰাজধানীৰ নাম কি আছিল?
৪. পৃথিৱীৰ প্ৰথম উৰাজাহাজখন কিমান উচ্চতালৈ উঠিছিল?
৫. বিশালতম জীৱিত চৰাইৰ নাম কি?

[উ: ৩৬ পৃ:]

বিষ্ণু

ব্ৰহ্মা, বিষ্ণু আৰু শিৱ—এই তিনিও হ'ল ভাৰতবৰ্ষৰ পুৰাণোক্ত প্ৰধান দেৱতা। প্ৰকৃততে—এই তিনিও হ'ল শ্ৰেষ্ঠতম দৈৱীশক্তিৰ ভিন ভিন ৰূপ। অৰ্থাৎ—সৃষ্টি, স্থিতি আৰু লয়ৰ তিনিও বাঙ্ময় ৰূপ।

বেদত বিষ্ণুৰ বৰ্ণনা এনে ধৰণে আছে ঃ বিষ্ণু ধৰিত্ৰী, আকাশ আৰু অন্তৰীক্ষতো বিৰাজমান। যেতিয়াই কোনো ধৰণৰ পৰিৱৰ্তন আৱশ্যকীয় হৈ উঠে, তেতিয়াই বিষ্ণুৱে বিভিন্ন অৱতাৰৰ ৰূপ পৰিগ্ৰহ কৰে।

এতিয়ালৈকে বিষ্ণুৰ নৱম অৱতাৰ হৈছে। ৰাম আৰু কৃষ্ণও ভগৱান বিষ্ণুৰ অৱতাৰ। বিষ্ণুৰ দশম অৱতাৰ এতিয়ালৈকো হোৱা নাই। ভগৱান বিষ্ণু কলি-অৱতাৰৰ ৰূপত আৱিৰ্ভূত হৈ মানৱৰ অজ্ঞান তথা বৰ্বৰ আচৰণৰ অন্ত পেলাই মানৱকুলক আধ্যাত্মিকতাৰে উন্নীত কৰিব বুলি কোৱা হৈছে।

*

চিত্ৰত ভগৱান বিষ্ণুৰ ৰূপ অতি মনোহৰ। শংখ, চক্ৰ, গদা, পদ্ম শোভিত বিস্তৃত হস্ত বিষ্ণু বাস্তৱিকতে দেখাত অতি সুন্দৰ।

*

বিষ্ণুৰ সোঁকাষত লক্ষ্মীদেৱী আৰু বাঁওকাষত ধৰিত্ৰী—অৰ্থাৎ ভূ-দেৱী অৱস্থিত। কিন্তু বিষ্ণুৰ অন্য চিত্ৰও আছে। সেই অভিনৱ চিত্ৰত বিষ্ণু হ'ল সৰ্প আৰু তেওঁৰ বাহন হ'ল গৰুড় পক্ষী-শোভিত।

*

বিষ্ণুৰ অনেক নামৰ মাজত কিছুমান হ'ল: অনন্ত, বৈকুণ্ঠেশ্বৰ, কেশৱ, অচ্যুত, মাধৱ, পীতাম্বৰ, জনাৰ্দন, বিশ্বম্ভৰ, দামোদৰ, চতুৰ্ভূজ, মুকুন্দ, মুৰাৰী, নাৰায়ণ, পদ্মনাভ, হৰি আৰু যজ্ঞেশ্বৰ ইত্যাদি।

সম্বাদ-বি-সম্বাদ

বধিৰ-নগৰী

কলিকতা মহানগৰীত যেনে ধৰণে সদা-সৰ্বক্ষণ হৈ-চৈ, মানুহৰ চিঞৰ-বাখৰ, লাউডস্পিকাৰ, মোটৰৰ হৰ্ন সৰু-বৰ শব্দ-মুখৰ হৈ আছে—এনেকৈ চলি থাকিলে কেই বছৰমানৰ অন্তত হাজাৰ-বিজাৰ বধিৰ অৰ্থাৎ কাণেৰে নুশুনা মানুহ ইয়াত পৰিলক্ষিত হ'ব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। ভাৰতত কলিকতা হ'ল অত্যধিক তথা সৰ্বাধিক কোলাহলপূৰ্ণ নগৰ। কালে কালে এই নগৰী এখন বধিৰ নগৰী হ'ব পাৰে।



সুপ্ৰাচীন নাদ

ইমান দিন ধৰি তুৰ্কিদেশৰ নাদেই আছিল পৃথিৱীৰ সৰাতোকৈ প্ৰাচীন নাদ। কিন্তু সম্প্ৰতি ইজৰাইলত যি নাদ আৱিষ্কৃত হৈছে—তাৰ বয়স ৮০০০ বছৰ বুলি অনুমিত। এই নাদ প্ৰস্তৰযুগৰ। সেই যুগতো মানুহৰ মাজত খোৱাপানীৰ সুবন্দৱস্ত কৰাৰ জ্ঞান থকাৰ দেখ দেখ প্ৰমাণ পোৱা যায়।

সাহিত্যৰ কিঞ্চিত

১. কোনজন জীৱন্ত ব্যক্তিৰ সৈতে কাল্পনিক ৰবিনহুডৰ চৰিত্ৰৰ সমিল-মিল আছিল ?

২. সেইজন ব্যক্তিৰ আলমত লিখা উপন্যাসখনৰ আৰু ঔপন্যাসিকৰ নাম কি ?

৩. এই একেজন লিখকৰ লিখিত দ্বিতীয়খন বিখ্যাত উপন্যাসৰ নাম কি ?

৪. ৰবীন্দ্ৰনাথৰ 'গীতাঞ্জলি' বাংলাৰপৰা ইংৰাজিলৈ কোনে অনুবাদ কৰিছিল ?

৫. গীতাঞ্জলিৰ ইংৰাজি সংস্কৰণৰ পৰিচিতি তথা পাতনি কোনে লিখিছিল ?

৬. ইংৰাজি গীতাঞ্জলি প্ৰকাশৰ প্ৰথম বছৰত কিমান সংখ্যক সংস্কৰণ প্ৰকাশিত হৈছিল ?

উত্তৰ

জানোনে ?

১. চৈনিক পৰিব্ৰজক ফা হিয়েন।

২. বিক্ৰমাদিত্য।

২. উজ্জয়িনী।

৪. ৰাইট ভ্ৰাতৃদ্বয়ে ১৯০৩ চনৰ ৮ মে'ৰ দিনা ১২ ফুট উচ্চতালৈ ১২ ছেকেণ্ডৰ বাবে উৰাজাহাজ উৰাইছিল।

৫. উত্তৰ আফ্ৰিকাৰ শুকৰমুৰ্গ চৰাই।

সাহিত্য

১. স্কটল্যাণ্ডৰ ৰাব ৰায়।

২. ছাৰ ওৱাল্টাৰ স্কট (১৭৭১-১৮৩২); উপন্যাসখনৰ নাম আছিল 'ৰাব ৰয়'।

৩. 'আইভেন হো', 'দ্য টালিশ্‌ম্যান', 'আ লিজেন্ড অভ্ ম্যাড্ৰোজ' ইত্যাদি।

৪. স্বয়ং কবিয়ে।

৫. ডাব্‌লু বি, ইয়েট্‌ছ্।

৬. তেৰ বাৰ পুনৰ্মুদ্ৰিত হৈছিল ১৯১৩ চনৰ মাৰ্চ মাহৰপৰা ডিছেম্বাৰ মাহৰ ভিতৰত।

শ্ৰীৰামকৃষ্ণ পৰমহংস
(৬)

তেতিয়াৰ দিনৰ বংগদেশ আছিল ৰৰেণ্য সন্তানেৰে ভৰপূৰ। ৰংগদেশৰ বৰেণ্য সন্তানসকলৰ অন্যতম আছিল ব্ৰাহ্মসমাজৰ নেতা কেশৱচন্দ্ৰ সেন। শ্ৰীৰামকৃষ্ণ কেশৱসেনৰ গৃহলৈ আহিছিল আৰু তাত সমাধিগ্ৰস্ত হৈছিল। এই ঘটনাত স্বয়ং কেশৱসেন আৰু ব্ৰাহ্ম-সমাজৰ আন বহুতেও তৰধ মানিছিল।

এসময়ত শ্ৰীৰামকৃষ্ণই জানিবলৈ ইচ্ছা প্ৰকাশ কৰিলে যে মহাপ্ৰভু শ্ৰীচৈতন্যই কনেকৈ বৈষ্ণৱ ভক্তবৃন্দক লগত লৈ কীৰ্তন গাই গাই সমদল কৰিছিল। এদিন ৰামকৃষ্ণই সমাধিগ্ৰস্ত অৱস্থাত এই দৃশ্য জীৱন্তভাৱে দেখা পালে।



১৮৮০ চনৰ নভেম্বাৰ মাহত নৰেন্দ্ৰনাথে (ভৱিষ্য-বিবেকানন্দ) ৰামকৃষ্ণক দৰ্শন কৰিলে। নৰেন্দ্ৰনাথক দেখা পায়েই শ্ৰীৰামকৃষ্ণ হৰষিত হ'ল। নৰেন্দ্ৰনাথে ৰামকৃষ্ণক চেৰা-বলিয়া বুলি ভাবিলে। কিন্তু তথাপি এই চেৰা-বলিয়াৰ প্ৰতি তেওঁ আকাৰ্ষণ বোধ নকৰি নোৱাৰিলে।



ক্ৰমে ক্ৰমে নৰেন্দ্ৰনাথ তেওঁৰ গুৰুৰ প্ৰতি আকৰ্ষিত হৈ থাকিল। নৰেন্দ্ৰনাথৰ পিতৃ স্বৰ্গী হ'লত পৰিয়ালখনৰ দুৰ্দশাগ্ৰস্ত হ'ল। তেতিয়া নৰেন্দ্ৰনাথে এদিন গুৰু ৰামকৃষ্ণক কালী গোসাঁনীৰ ওচৰত তেওঁলোকৰ আৰ্থিক কষ্ট গুচাবৰ বাবে প্ৰাৰ্থনা কৰিবলৈ ক'লে। ৰামকৃষ্ণই এই কাম নৰেন্দ্ৰনাথক কৰিবলৈ কোৱাত নৰেন্দ্ৰনাথে ধনৰ বাবে নহয়, জ্ঞানৰ বাবেহে প্ৰাৰ্থনা কৰিলে।

সেতিয়াৰ বংগৰ অন্যতম সমাজ সংস্কাৰক ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ সৈতে ৰামকৃষ্ণই সাক্ষাৎ কৰিছিল। কোনোবাই তেওঁক সুধিছিল. "কোনোবা প্ৰকৃত জ্ঞানৱন্ত ব্যক্তিয়ে মুখেৰে কিবা কয়নে?" তেওঁ উত্তৰ দিছিল. "মৌ পান কৰোঁতে মৌমাখি মনে মনে থাকে ; কিন্তু পেট পুৰাই মৌখোৱাৰ পাছত পুনৰ গুঞ্জৰে।"





তেতিয়াৰ বহুতো খ্যাতিমান ব্যক্তিয়ে ৰামকৃষ্ণক দৰ্শন কৰিবলৈ আহিছিল। এওঁলোকৰ মাজত মহৰ্ষি দেৱেন্দ্ৰনাথ ঠাকুৰ, বিজয়কৃষ্ণ গোস্বামী, স্বামী দয়ানন্দ প্ৰমুখ অন্যতম। নাট্যকাৰ গিৰীশচন্দ্ৰ ঘোষে শ্ৰীৰামকৃষ্ণৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। শ্ৰীৰামকৃষ্ণই গিৰীশচন্দ্ৰৰ নাটকৰ অভিনয় চাই ভাল পাইছিল আৰু নাট্য কলা-কুশলীসকললৈ আন্তৰিক আশীৰ্বাদ জ্ঞাপন কৰিছিল।

এই মহান জ্ঞানী পুৰুষগৰাকীৰ সহজ-সৰল অমৃত বচনে বহুতো কাঠ-কঠিন হৃদয়কো পৰিৱৰ্তিত কৰিছিল। তেওঁ য'লৈকে গৈছিল, বাধাহীন সোঁতৰ দৰে মানুহৰ সোঁত তেওঁৰ দৰ্শন লাভৰ বাবে সদায়-সকলোতে উপচি পৰিছিল।





১৮৮৫ চনত শ্ৰীৰামকৃষ্ণ অসুস্থ হৈ'পৰিল তেওঁ গলৰ বেমাৰত আক্ৰান্ত হোৱাত চিকিৎসকে তেওঁক মাত-বোল কৰিবলৈ নিষেধ কৰিছিল আৰু সমাধিগ্ৰস্ত হোৱাৰপৰাও বিৰত হৈ থাকিবলৈ কৈছিল। কিন্তু চিকিৎসকৰ এই পৰামৰ্শ তেওঁ মানিব নোৱাৰিলে। কিয়নো— কোনোবা ভক্তই কিবা প্ৰশ্ন কৰিলে তেওঁ উত্তৰ নিদিয়াকৈ নাথাকিছিল আৰু তেওঁ মাজে-মধ্যে সমাধিগ্ৰস্তও হৈছিল।

তেওঁৰ অসুস্থতা ক্ৰমাত বাঢ়ি যোৱাত তেওঁক কলিকতাৰ সন্নিকিটস্থ কাশীপুৰ গাৰ্ডেনলৈ লৈ যোৱা হ'ল। তাত তেওঁক তৎকালীন খ্যাতিমান চিকিৎসক মহেন্দ্ৰ লাল চৰকাৰে চিকিৎসা কৰি থাকিল। কিন্তু ৰামকৃষ্ণৰ ইহলীলাৰ দিন চমু চাপি আহিল। এদিন ৰামকৃষ্ণই নৰেন্দ্ৰনাথক মতাই আনিলে আৰু এই তৰুণ শিষ্যৰ মাজত নিজৰ শক্তি প্ৰৱিষ্ট কৰিলে।



১৮৮৬ চনৰ ১৬ অগাস্টৰ দিনা শ্ৰীৰামকৃষ্ণ স্বৰ্গী হ'ল। কাশীপুৰ শ্মশানত তেওঁৰ অন্তিমক্ৰিয়া সমাপন হ'ল। এইদৰে এক মহান আধ্যাত্মিক জীৱনৰ সামৰণি পৰিল, যি জীৱনৰ প্ৰভাৱ তেওঁৰ মৃত্যুৰ অন্তত অগ্নিশিখাৰৎ সকলোতে বিয়পি পৰিল।

শ্ৰীৰামকৃষ্ণৰ ভক্ত শিষ্যসকলে মা সাৰদাৰপৰা সান্ত্বনা লভিছিল। শিষ্য-সকলে মা সাৰদাৰপৰা পুত্ৰৱৎ চেনেহ-মৰম পাই গুৰু তথা পিতৃবিয়োগৰ বেদনা কথঞ্চিত পাহৰি থাকিব পাৰিছিল।



তৎপৰ. গুৰুৰ অপাৰ প্ৰেৰণাৰে উদ্বুদ্ধ নৰেন্দ্ৰনাথে, অৰ্থাৎ পৰৱৰ্তী কালৰ বিশ্ববন্দিত স্বামী বিবেকানন্দই দেশৰ তথা পৃথিৱীৰ চুকে-কোণে শ্ৰীৰামকৃষ্ণৰ অমৃতবাণী প্ৰচাৰ কৰি মানৱ-সমাজৰ মহৎ উপকাৰ সাধিছিল। [অন্ত]

সামান্য অসামান্য

ধৰ্মেন্দ্ৰ হ'ল গংগানগৰ গাঁৱৰ এজন ধনী মানুহ। ধনী হিচাপে তেওঁৰ যথেষ্ট নাম-ডাক। ধৰ্মেন্দ্ৰৰ পুত্ৰ বিশাল। বিশালৰো বিশাল খ্যাতি। খ্যাতি তাৰ ৰূপ-গুণ স্বভাৱ-চৰিত্ৰ তথা সৎ আচৰণৰ কাৰণে। বিশালৰ এতিয়া বিয়া কৰোৱাৰ বয়সো হ'ল, মনো গ'ল। গতিকে—দেউতাক ধৰ্মেন্দ্ৰই যথাযোগ্য বোৱাৰী বিচাৰি ওলাবলগা হ'ল।

এইখন গাঁৱৰে ত্ৰিলোক আছিল ধৰ্মেন্দ্ৰৰ বন্ধুমানুহ। ত্ৰিলোকে তাৰ ঘৰতে অতি দামী দামী শাড়ী বৈ উলিয়ায়। গুণাকটীয়া হিচাপে ত্ৰিলোকৰ গুণৰ শলাগ দহোৰাইজে লয়। গুণাকটা কামত তাৰ হেনো তুলনা নহয়, দহো গাঁৱৰ ধনীহঁতেও কয়। ত্ৰিলোকৰ এইবোৰ গুণাকটা শাড়ী কাপোৰ সাধাৰণ মানুহে কিনিব নোৱাৰে, আঢ্যৱন্তসকলেই কিনে। আৰু সেইহে— কাপোৰ বোৱা মানুহ হ'লে কি হ'ব— ত্ৰিলোকৰ উঠা-বহা, আহ-যাহ ধনীৰ ঘৰত।

এদিন ত্ৰিলোকে ধৰ্মেন্দ্ৰক ক'লে, "শুনিলোঁ। তুমি হেনো বোৱাৰী বিচাৰিছা। সীতাপুৰৰ ৰামানন্দৰ ছোৱালীজনী বৰ ৰূপহী। তাইৰ নাম কমলা। আৰু— লখিমপুৰৰ বিশ্বেশ্বৰৰ ছোৱালীজনীও ৰূপে-গুণে জিলিকা। এইজনীৰ নাম কবিতা। তুমি বিশালক লগত লৈ দুয়োজনীকে এবাৰ চাই আহাগৈ। দুয়োখন ঘৰেই তোমালোকৰ লগত মিতিৰ পতাৰ যোগ্য।"

ত্ৰিলোকৰ কথাত ধৰ্মেন্দ্ৰই বিশালক লগত লৈ গৈছিল। এই দুয়োজনীকে চাই আহিছিলগৈ। কিন্তু সমস্যা হ'ল যে—কাক এৰি কাক বেছিব। দুয়োজনীয়েই দেখাই-

নিৰ্মলা সন্দিকৈ

মেলাই কহনে-ৰহণে চালে-চলনে অতি ভাল। কোনজনীক বোৱাৰী কৰি ঘৰলৈ আনিব— এই কথাতহে লাগিল আউল।

ভাবি ভাবি অন্য উপায় নাপাই ধৰ্মেন্দ্ৰই ত্ৰিলোকক ক'লে, "ত্ৰিলোক বোৱাৰী অনাৰ কথাত কিছু সমস্যাৰ উদ্ভৱ হ'ল। ৰূপৰ ফালৰপৰা বিচাৰ কৰি চালে—কমলা আৰু কবিতা—কাক এৰোঁ কাক বেছোঁ বিধৰ। গতিকে—মই এই দুয়োজনীৰ এটা পৰীক্ষা লোৱাটোকে স্থিৰ কৰিছোঁ। মোৰ পৰীক্ষাত যিজনী উত্তীৰ্ণ হ'ব—বোৱাৰী হিচাপে ল'ম। কিন্তু এই কামত তোমাৰ সহায় লাগিব।"

মিচিকীয়াই হাঁহি মাৰি ত্ৰিলোকে ক'লে, "চোৱাঁ, তুমি কেৱল ধনীয়েই নহয়, ধাৰ্মিকো হয়। গতিকে—তোমাক কিবা প্ৰকাৰে সহায় কৰাটো ভাগ্যৰ কথা। কিন্তু—মোৰ দৰে মাখি এটাই তোমাক কিহেৰেনো সহায় কৰিম?"

ত্ৰিলোকে কেনেকৈ কি কৰিব লাগিব —ধৰ্মেন্দ্ৰই ত্ৰিলোকক বুজাই ক'লে।

কেইদিনমানৰ পাছত ত্ৰিলোক ধৰ্মেন্দ্ৰই কোৱামতে এগাঁঠৰি শাড়ী লৈ ওলাল আৰু প্ৰথমেই সীতাপুৰলৈ গ'ল। ত্ৰিলোকক দেখা পায়েই কমলাই কৈ উঠিল, "নতুন কিবাকিবি আনিছানে?"

গাঁঠৰি খুলি থাকোঁতেই ত্ৰিলোকে ক'লে, "নতুন শাড়ী—বৈ উলিয়ালেই তোমাৰ কথাকে প্ৰথমে মনত পৰে, আই। এয়া চোৱাঁ।" ত্ৰিলোকে এখন এখনকৈ শাড়ী দেখুৱাই থাকিল।

নতুন নতুন গুণাৰে ফুল বছা শাড়ী-কাপোৰ চাই চাই কমলা ৰঙতে ৰাঙলী হ'ল। কিন্তু কোনখন থ'ব কোনখন ল'ব স্থিৰ কৰিব নোৱাৰি বিভ্ৰান্ত হোৱাত ত্ৰিলোকে ক'লে, "এইখনকে লোৱা, আই। পিন্ধি পাছত মোক ক'বা—কেনে পালা।"

শাড়ীখন হাতত লৈ কমলাই ক'লে,

"খুড়াদেউ, এইবাৰ শাড়ীৰ লগত চোলাৰ কাপোৰ আনিবলৈ পাহৰিলানে কি ?"

"নহয়, পাহৰি যোৱা নাই। চোলাৰ কাপোৰ এতিয়াও তাঁতত আছে। কেইদিনমানৰ পাছত লৈ আহিম বাৰু। আন ক'ৰবাৰপৰা নিকিনিবা, মোৰপৰাই সোনকালে পাবা।" ত্ৰিলোকে ক'লে।

তাৰ পাছত ত্ৰিলোক পোনে পোনেই লখিমপুৰলৈ গ'ল আৰু তাত বিশ্বেশ্বৰৰ ছোৱালী কবিতাকো তাইৰ মনে-খোৱা শাড়ী এখন দিলে আৰু ক'লে, "আই, শাড়ীৰ লগত চোলাৰ কাপোৰ আনিবলৈ নহ'ল। কেদিনমানৰ পাছত পাই যাবা, আন ক'ৰবাৰপৰা নিকিনিবা।"

ত্ৰিলোক পুনৰ গাঁৱলৈ উলটিল। তাৰ পাছত—ধৰ্মেন্দ্ৰই শিকাই দিয়া মতে এসপ্তাহৰ পাছত কমলা আৰু কবিতাৰ চোলাৰ কাপোৰ লৈ পুনৰ এদিন ওলাল।

প্ৰথমে কমলাহঁতৰ ঘৰলৈ গৈ কমলাক ত্ৰিলোকে ক'লে, "আই, এয়া লোৱা তোমাৰ শাড়ীৰ লগৰ চোলাৰ কাপোৰ।"

"আৰু নালাগে, মই তোমাৰ দেৰি দেখি আন দোকানৰপৰা আনিলোঁৱেই শাড়ীৰ ৰঙৰ চোলাৰ কাপোৰ।"

তাৰ পাছত ত্ৰিলোক কবিতাহঁতৰ ঘৰলৈ গ'ল। কবিতাই ত্ৰিলোকক ক'লে,



"খুড়া, চোলাৰ কাপোৰ লৈ আহিছা যেন পাওঁ ?"

"হয়, আই। কিন্তু অলপ দেৰি হৈ গ'ল। তুমি আন ক'ৰবাৰপৰা কিনি আনিলাইনে কি ?" ত্ৰিলোকে সুধিলে।

কবিতাই হাঁহি মাৰি ক'লে, "খুড়া, তুমি কিজানি আজিকালি পাহৰা ধানৰ ভাতকে খাইছা। নহ'লে—তুমি দেখোন সিদিনা এই শাড়ীৰ চোলাৰ কাপোৰ শাড়ীৰ লগতে লৈ আহিছিলা। শাড়ীৰ জাপ খোলোঁতেই ওলাই পৰিল। ঠিক আছে—সিদিনা কেৱল শাড়ীৰ দামকে দিছিলোঁ, আজি চোলাৰ কাপোৰৰ

দামখিনিও লৈ যোৱা।"

"অ'—হয়, আই—হয়—পাহৰিয়েই গৈছিলোঁ। আৰু—বয়সেও ছুলেই নহয়? তিনিকাল গৈ একালত লাগিল। দিয়া আই, দিয়া, পইচাকেটা দিয়া, যাৱেঁই আৰু।" ত্ৰিলোকক কেৱল পইচা নহয়, চাহ-জলপান খুৱাইহে কবিতাই তাক যাবলৈ দিলে।

ত্ৰিলোক তাৰপৰা পোনে পোনেই ধৰ্মেন্দ্ৰৰ ওচৰলৈ গ'ল আৰু কমলা আৰু কবিতাৰ সম্পৰ্কীয় সকলো কথা ভাঙি-পাতি ধৰ্মেন্দ্ৰই ক'লে।

কথাখিনি শুনাৰ পাছত ধৰ্মেন্দ্ৰই ক'লে, "মোৰ বোৱাৰী-সমস্যাৰ সমাধান হৈ গ'ল। কাক বোৱাৰী কৰিব লাগিব—এতিয়াহে ফটফটীয়া হ'ল।"

"নুবুজিলোঁ তোমাৰ কথা। এই সমস্যাৰ সমাধান কেনেকৈনো হ'ল?"

ত্ৰিলোকৰ এই প্ৰশ্নৰ উত্তৰত ধৰ্মেন্দ্ৰই ক'লে, "মই কোৱা মতেই কমলা আৰু কবিতাক তুমি শাড়ী দুখন দিয়া নাছিলা জানো?"

"ওঁ, দিছিলোঁ।"

"মই কোৱা মতেই শাড়ীৰ ভিতৰত চোলাৰ কাপোৰ লুকাই থোৱা নাছিলা জানো? কথাটো তোমাৰ মনত আছিলনে?" ধৰ্মেন্দ্ৰই পুনৰ সুধিলে।

ত্ৰিলোকে মুহূৰ্তমান ভাবি লৈ ক'লে, "এতিয়াহে বুজিলোঁ তোমাৰ সেই সমস্যা সমাধানৰ কথা। কবিতাই চোলাৰ কাপোৰ পাই—পাছত মোক দাম দিছিল; কিন্তু কমলাই পায়ো আসৈ মাতিছিল। ঘটনাটো সামান্য হ'লেও কথাটো অসামান্য আৰু অত্যন্ত গুৰুতৰ বিধৰ কথা। —তোমাৰ বোৱাৰী হ'ব—কবিতাজনী। নহয় জানো?"

ধৰ্মেন্দ্ৰই হাঁহি হাঁহি মূৰ দুপিয়াই থাকিল আৰু ত্ৰিলোকেও ৰঙতে হাঁহিলে।



৬

তেতিয়ালৈকো বালীৰ মৃত্যু হোৱা নাই। বালীয়ে ইফালে-সিফালে চাই নিজৰ পুত্ৰৰ কাষত সুগ্ৰীৱক থিয় হৈ থকা দেখা পালে আৰু সুগ্ৰীৱক ক'লে, "সুগ্ৰীৱ, মই তোমাক ৰাজ্যৰপৰা বহিষ্কৃত কৰিছিলোঁ, তোমাৰ পত্নীক অপহৰণ কৰিছিলোঁ — এইবোৰ কথাত দোষ ধৰি মোৰ প্ৰতি বিমুখ নহ'বা। মেৰে অদৃষ্টত ৰাজ্যসুখ নাই। গতিকে—তুমি বানৰ ৰাজ্যৰ অধিপতি হোৱা। মোৰ অন্তিম ইচ্ছা যিমানেই কঠোৰ-কঠিন নহওক, মোৰ এই ইচ্ছা পূৰণ কৰিবা। অঙ্গদ মোৰ প্ৰাণৰো প্ৰাণ। অঙ্গদক তুমি নিজৰ পুত্ৰৰ দৰে জ্ঞান কৰিবা। তুমি বিনে এতিয়া তাৰ আৰু কোনো নাই। তাৰ যেন কোনো কষ্ট নহয়—তালৈ লক্ষ্য ৰাখিবা। অঙ্গদো পৰাক্ৰমী, তাৰ সহায় তুমি পাবা, আৰু দ্বিধাহীনভাবে ল'বা। আৰু–– সুষেণৰ কন্যা মোৰ পত্নী তাৰা হ'ল অসীম ক্ষমতা-সম্পন্না। আগন্তুক বিপদ-বিঘিনিৰ কথা সহজেই আগতীয়াকৈ কৈ দিব পাৰে। তাৰাই যি কয় — শুনিবা, মানিবা, তোমাৰ কুশল হ'ব। আৰু শুনা—দেৱেন্দ্ৰই মোক কাঞ্চনমালা নামৰ যি অস্ত্ৰপাট দিছিল, এতিয়াই মোৰ ডিঙিৰ-পৰা সোলোকাই লোৱা। কিয়নো—মোৰ মৃত্যুৰ লগে লগে দেবেন্দ্ৰ-প্ৰদত্ত মন্ত্ৰঃপূত কাঞ্চনমালা নিষ্প্ৰভ হৈ পৰিব।"

'সুগ্ৰীৱৰ ৰাজ্যাভিষেক'

তাৰ পাছত বালীয়ে অঙ্গদক কিছু হিত উপদেশ দিলে, "অঙ্গদ, মোৰ প্ৰতি তুমি যেনেকৈ বিশ্বস্ত হৈ আছিলা, ঠিক তেনেকৈয়েই সুগ্ৰীৱৰ ওচৰতো বিশ্বস্ত হৈ থাকিবা। সুগ্ৰীৱে যি কৰিবলৈ ক'ব— নিৰ্দ্বিধাই কৰিবা। সুগ্ৰীৱৰ প্ৰতিটি আদেশ মান্য কৰিবা। কাৰো সৈতে অধিক বন্ধুত্ব নকৰিবা, বা কাৰো সৈতে দুৰ্ব্যৱহাৰো নকৰিবা। এই দুয়োটায়েই দোষণীয়।" আৰু—এই বুলি কোৰাৰ লগে লগে বালীৰ প্ৰাণবায়ু বহিৰ্গত হ'ল।

বালীৰ মৃত্যুৰ লগে লগে সমগ্ৰ বানৰ-ৰাজ্যত হাহাকাৰ-ধ্বনি শ্ৰুত হ'ল। সকলো বানৰেই বালীৰ মহান জীৱনৰ তথা কাৰ্য্যাৱলীৰ কথা কৈকৈ অশ্ৰুপাত কৰিলে।

গোলভ নামৰ গন্ধৰ্বৰ বিৰুদ্ধে পঞ্চদশ বছৰলৈ যুদ্ধ কৰি বালীয়ে বানৰকুলক বিপদমুক্ত কৰাৰ কথা আজি বানৰসকলে কান্দি কান্দি সুঁৱৰিলে।

পতিৰ বিৰহত তাৰা ৰোৰুদ্যমানা হৈ পৰিল। নীলে বালিৰ বক্ষস্থল ভেদকাৰী বাণপাট বক্ষস্থলৰপৰা উপাৰি আনিলে। অঙ্গদে পিতৃদেৱৰ চৰণ স্পৰ্শ কৰি প্ৰণাম কৰিলে। তাৰাৰ দুখতে দুখী সুগ্ৰীৱেও কান্দি কান্দি অলিয়া-বলিয়াহেন হৈ পৰিল।

কান্দি কান্দি ৰামচন্দ্ৰৰ ওচৰলৈ গৈ সুগ্ৰীৱে ৰামচন্দ্ৰক ক'লে, "হে ৰাম, তুমি নিজ-প্ৰতিজ্ঞা পালন কৰিছা, বালীক বধ কৰিছা, মোক বানৰ ৰাজ্যৰ অধিপতি কৰিছা। কিন্তু মোৰ আৰু জীয়াই থকাৰো ইচ্ছা নোযোৰা হৈছে। তাৰা আৰু আপামৰ বানৰকুলৰ বুকুভঙা আৰ্তনাদ তথা অশ্ৰুপাতলৈ চাই মই আৰু থিৰেৰে থাকিব নোৱৰা হৈছোঁ। বালীবধ—মোৰো কাম্য আছিল, কিন্তু এতিয়া মই অনুতপ্ত। এতিয়া—আনকি স্বৰ্গও মোক নালাগে। বালীয়ে মোৰ প্ৰাণ বধ নকৰি কেৱল ৰাজ্যৰপৰা বহিষ্কাৰ কৰিছিল, কিন্তু মই তেওঁৰ প্ৰাণবধৰ ভাগী হ'লোঁ। মোৰ

দৰে পাপী আৰুনো কোন? ৰজা হোৱাৰ — প্ৰকৃতাৰ্থত মোৰ কোনো অধিকাৰ মোৰ আৰু থকা বুলি মই ভাবিব পৰা নাই। ময়ো বালীৰ চিতাত আত্মাহুতি দিম। বানৰ সকলে সীতাদেৱীক বিচাৰি উলিয়াই দিব।"

বালী-পত্নী তাৰাই ৰামচন্দ্ৰক কান্দি কান্দি ক'লে:

"যিপাট বাণেৰে তুমি মোৰ পৰম প্ৰিয় পতিক বধিলা, তেনে এপাট বাণেৰে মোকো বধি বালীৰ ওচৰলৈ পঠোৱাঁ, মই বালীৰ লগত মিলিমগৈ। সীতা-বিয়োগত তুমি যেনেকৈ অস্থিৰ হৈ আছা, বালীহীন মই তাতোকৈ অস্থিৰ।"

তেতিয়া তাৰাক সান্ত্বনা প্ৰদান কৰোঁতে ৰামচন্দ্ৰই ক'লে, "তুমি হ'লা বীৰ-পত্নী, দুঃখত কাতৰ হ'লেও অস্থিৰমতিত্ব তোমাক নোশোভে। বালী জীৱিত থাকোঁতে যেনেকৈ সুখী হৈ আছিলা, এতিয়াও তেনেকৈ থাকিবা। তোমাৰ পুত্ৰ অঙ্গদক যুৱৰাজ পতা হ'ব।"

তাৰ পাছত বানৰসকললৈ ৰামচন্দ্ৰই ক'লে, "তোমালোকে এতিয়া যিমানেই নাকান্দা, বালী আৰু ঘূৰি নাহিব। তোমালোকে তোমালোকৰ পৰম প্ৰিয় বালীৰ অন্তিমযাত্ৰাৰ তথা দহন-বহনৰ কাৰ্য্যত মনপুতি লাগা আৰু এইদৰে বালীৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰাঁ।"



তুখৰ সাগৰত পৰা সুগ্ৰীৱক লক্ষ্মণে ক'লে, "হে সুগ্ৰীৱ, বালীৰ দহন-বহনৰ সুবন্দৱস্ত কৰিব লাগে। দহাকাৰ্য্যৰ বাবে আৱশ্যকীয় খৰি আৰু চন্দন কাঠ শীঘ্ৰে অনোৱাৰ ব্যৱস্থা কৰাঁ। বালীৰ মৃতদেহ কঢ়িয়াই নিবলৈ সুসজ্জিত দোলা লাগিব। এইবোৰ ব্যৱস্থা-বন্দৱস্ত শীঘ্ৰে কৰিবলৈ বানৰসকলক আদেশ দিয়া।"

লক্ষ্মণৰ কথা শুনামাত্ৰেই দোলা আনিবলৈ তাৰ্ কিষ্কিন্ধ্যালৈ গ'ল আৰু অতি সোনকালে উভতি আহিল। সুগ্ৰীৱ আৰু অঙ্গদে বালীৰ মৃতদেহ দোলাত উঠালে আৰু অনেক বানৰে মিলি দোলাখন পুষ্পৰে সজ্জিত কৰিলে। তাৰ পাছতপুষ্প ছটিয়াই বানৰকুল আগে আগে গৈ থাকিল। বিশাল-বিৰাট সেই শৱযাত্ৰা এক নিজৰাৰ ওচৰত ৰ'লগৈ আৰু তাতে চিতা সজ্জিত হ'ল। তাৰ পাছত—শ্ৰীৰামচন্দ্ৰৰ নিৰ্দেশমতে বানৰসকলদ্বাৰা বালীৰ অন্তিমকাৰ্য্য সামৰা হ'ল।

তৎপৰ সুগ্ৰীৱে স্নান সমাপনান্তে তিতা কাপোৰ পিন্ধিয়েই ৰাম-লক্ষ্মণৰ ওচৰলৈ গ'ল। সুগ্ৰীৱৰ সৈতে অসংখ্য বানৰো তাত ৰৈ থাকিল। তেতিয়া হনুমন্তই ৰামচন্দ্ৰক কৈ থাকিল, "হে ৰাম, তোমাৰ কৃপাত সুগ্ৰীৱে ৰাজ্যলাভ কৰিলে। এতিয়া সুগ্ৰীৱ কিষ্কিন্ধ্যালৈ যাব লাগিব, আৰু তাত অনেক কাৰ্য্য কৰিব লাগিব। শাস্ত্ৰানুসাৰ ৰাজ্যাভিষেকৰ অন্তত সুগ্ৰীৱে যোগ্যৰূপে তোমাৰ মান ধৰিব। আমাৰ একান্ত অনুৰোধ, তুমি স্বয়ং কিষ্কিন্ধ্যালৈ গৈ সুগ্ৰীৱক ৰাজতিলক পিন্ধোৱা।"

হনুমানৰ কথাৰ উত্তৰত ৰামচন্দ্ৰই ক'লে, "হে হনুমান, মই পিতৃ-আজ্ঞাত চৈধ্য বছৰলৈ বনবাসী হৈছোঁ, গতিকে—কোনো নগৰ বা গ্ৰামলৈ প্ৰৱেশ কৰাৰ উপায় মোৰ নাই। সেইহে, তোমালোকেই ৰাজকীয় সমাৰোহৰে সুগ্ৰীৱৰ ৰাজ্যাভিষেকৰ কাৰ্য্য সম্পন্ন কৰাঁ। লগতে—





অঙ্গদকো যুৱৰাজ ৰূপে অভিষিক্ত কৰিবা। শ্ৰাৱণ মাহ আৰম্ভ হ'ল। চাৰি মাহ ধৰি বৰ্ষাঋতু। গতিকে—এতিয়া কোনোৰূপ যুদ্ধৰ সময় নিশ্চয় নহয়। তোমালোক কিষ্কিন্ধ্যালৈ যোৱাগৈ। মই আৰু লক্ষ্মণ এই পৰ্বততে থাকিম। এই গুহা বিৰাট আৰু আৰামপ্ৰদ। কাৰ্তিক মাহত ৰাৱণ-বধৰ আয়োজন কৰা হ'ব।"

ৰামচন্দ্ৰৰ আজ্ঞামতে সকলো কিষ্কিন্ধ্যালৈ গ'ল। কিষ্কিন্ধ্যাতো তেতিয়া অসংখ্য বানৰ আৰু বানৰ-প্ৰমুখ সুগ্ৰীৱলৈ বাট চাই অধীৰ আগ্ৰহৰে বৈ আছিল। কিন্তু কিষ্কিন্ধ্যা পায়েই সুগ্ৰীৱে পোন প্ৰথমে বালী-পত্নী তাৰাৰ সৈতে সাক্ষাৎ কৰিবলৈ ৰাজপ্ৰাসাদৰ অন্তঃপুৰলৈ গ'ল।

সুগ্ৰীৱ যেতিয়া অন্তঃপুৰৰপৰা ওলাই আহিল, তেতিয়ামানে বানৰ সকলে সুগ্ৰীৱৰ ৰাজ্যাভিষেকৰ বাবে সম্পূৰ্ণ আয়োজন সম্পন্ন কৰিছিল। সোণ-ৰূপ মণি-মুকুতা হীৰক-চামৰ ফুল-ফল চন্দন কেশৰ ঘৃত-দধি বিভিন্ন ফল-ফুলৰ বীজ, বনৰীয়া গাহৰিৰ ছালেৰে নিৰ্মিত পাদুকা ইত্যাদি সুগ্ৰীৱৰ ৰাজ্যাভিষেকৰ বাবে প্ৰস্তুত কৰি থোৱা হৈছিল।

তাৰ পাছত ব্ৰাহ্মণ পুৰোহিতসকলে অগ্নি প্ৰজ্জ্বলিত কৰি অগ্নি-দেৱতাক পূজিলে। আৰু পূজা—হোম—যজ্ঞাদিৰ অন্তত যথোপযুক্ত মন্ত্ৰোচ্চাৰণ কৰি সুগ্ৰীৱৰ ললাটত ৰাজতিলক আঁকি দিলে, সুগ্ৰীৱৰ ৰাজ্যাভিষেক সম্পন্ন হ'ল। সুগ্ৰীৱ ৰজা হ'ল। গজ, গৱাক্ষ, গৱয়, গন্ধমাদন, শৰভ, মৈন্দ, দ্বিবিদ, হনুমান, জাম্বৱন্ত, নল আদিয়ে স্বৰ্ণ-কলসীত আৰু ম'হৰ শিঙত ভৰাই নদীজল কঢ়িয়াই আনি সুগ্ৰীৱৰ অভিষেক-ক্ৰিয়া সমাপন কৰিছিল।

ৰামচন্দ্ৰৰ আজ্ঞামতে সুগ্ৰীৱে অঙ্গদক যুৱৰাজ পাতিলে। বানৰসকলে সুগ্ৰীৱৰ এই সৎকাৰ্য্যৰ শলাগ ল'লে। সকলো বানৰ তৎপৰ উৎসৱমুখৰ হৈ পৰিল।

ৰাজ্যাভিষেকৰ অন্তত সুগ্ৰীৱ পুনৰ ৰামচন্দ্ৰৰ ওচৰলৈ গ'ল আৰু ৰাজ্যাভিষেকৰ কথা বিৱৰি পুনৰ কিষ্কিন্ধ্যালৈ উভতি আহিল তাৰ। পাছত নিজ-পত্নী ৰুমাৰে সৈতে সুখে-সন্তোষে কালাতিপাত কৰি থাকিল আৰু বালীৰ পদাংক মতে সুকলমে ৰাজ্য শাসন চলাই থকিল।

*

যিটো গুহাত থাকি শ্ৰীৰামচন্দ্ৰই বৰ্ষাঋতু অতিবাহিত কৰিব খুজিছিল, সেই গুহাটোত এক প্ৰস্ৰৱণ পৰ্বতোপৰি অৱস্থিত আছিল। কিন্তু গুহাৰ ভিতৰলৈ বৰ্ষাৰ পানী প্ৰবেশ কৰিব পৰা নাছিল। পূব দিশৰপৰা বলি থকা সুশীতল বতাহো গুহাৰ ভিতৰত নোসোমাইছিল। গুহাৰ সন্মুখভাগ আছিল সমতল। তাত এখন নৈ প্ৰবাহিত হৈছিল। এই গুহাৰপৰা তথা পৰ্বতৰপৰা কিষ্কিন্ধ্যা আছিল নিচেই ওচৰ। কিষ্কিন্ধ্যাৰ কোলাহল ইয়াৰপৰাও শুনা গৈছিল।

এনেহেন সুন্দৰ স্থানত থাকিও কিন্তু ৰামচন্দ্ৰ বিষণ্ণ হৈয়েই আছিল। কিয়নো —সীতাক ৰাৱণৰ কবলৰপৰা উদ্ধাৰত তথা ৰাৱণ-বধত সুগ্ৰীৱে যি সহায় আগ বঢ়াব বুলি কৈছিল, সেই সহায়লৈ প্ৰতীক্ষা কৰি কৰি ৰামচন্দ্ৰ বিমৰ্ষ হৈ উঠিছিল। বৰ্ষাঋতুৰ অন্ত পৰিল; কিন্তু সুগ্ৰীৱৰ দেখা আৰু নিমিলিল।

ইপিনে—হনুমানেও ভাবি থাকিল যে —সুগ্ৰীৱ ৰজাই শ্ৰীৰামচন্দ্ৰৰ প্ৰতিশ্ৰুত কামৰ কথা কিজানি পাহৰিয়েই পেলালে। হনুমানে লক্ষ্য কৰিছে যে—ৰজা সুগ্ৰীৱ এতিয়া বিলাসী হৈ উঠিছে।

হনুমানে সুগ্ৰীৱক ক'লেগৈ, "সুগ্ৰীৱ, তুমি ৰাজ্য পালা, ৰাজ-বৈভৱ পালা। কিন্তু মিত্ৰধৰ্ম পালনৰ কথা কিজানি পাহৰিলা। সীতাদেৱীক উদ্ধাৰৰ কাম আৰম্ভ হ'ব লাগিছিল। ৰামচন্দ্ৰ অতি সুজন হোৱাহেতুকেহে এনে অৱহেলা-

জনিত বিলম্ব সহি আছে। সীতাক অন্বেষি উলিয়াবৰ বাবে বানৰ সৈন্যক অনতিপলমে প্ৰেৰণ কৰঁা।"

হনুমানৰ এই কথাত সুগ্ৰীৱ লজ্জিত আৰু বিচলিত হ'ল আৰু তেতিয়াই বানৰ সৈন্যইতক সীতাদেৱীক অন্বেষণৰ বাবে আদেশ দিলে। সুগ্ৰীৱে লগতে এইদৰে ঘোষণাও কৰিলে যে—এপষৰ ভিতৰত যি বানৰসৈন্য উভতি নাহিব, তাক অৱশ্যেই মৃত্যুদণ্ড প্ৰদান কৰা হ'ব।

কিন্তু সুগ্ৰীৱৰ কোনো উম-ঘাম নোপোৱাত ৰামচন্দ্ৰই লক্ষ্মণক ক'লে, "সীতাক অন্বেষণ তথা উদ্ধাৰৰ বাবে সহায় কৰিব বুলি সুগ্ৰীৱে প্ৰতিশ্ৰুতি দিছিল ; কিন্তু এই কাৰ্যলৈ সুগ্ৰীৱে সম্পূৰ্ণ উপেক্ষা প্ৰদৰ্শন কৰা হ'ল। সুগ্ৰীৱেও যদি বালীৰ ওচৰলৈ যাব খুজিছে, মোৰ বাণলৈ বৈ আছে, তেনেহ'লে সেই ব্যৱস্থা কৰা যাব—তুমি তাক এই কথাটো কোৱাগৈ। যেনেকৈ ক'বলৈ তোমাৰ মন যাব, তেনেকৈয়েই কোৱাগৈ, যোৱা।"

সুগ্ৰীৱৰ ওপৰত লক্ষ্মণো বিতুষ্ট হৈয়েই আছিল। লক্ষ্মণে ক'লে, "ৰাজ্যসুখ তথা ৰজা হোৱাৰ সুখ কেনেকৈ পালে—সেই কথা সুগ্ৰীৱে বোধ হয় সমূলি পাহৰিলে। মই এতিয়াই সুগ্ৰীৱক বধ কৰিমগৈ। তাৰ পাছত—অঙ্গদৰ সহায়তাৰে মাতৃ সীতাদেৱীৰ অন্বেষণ কৰোৱাম।"

এই বুলি কৈয়েই লক্ষ্মণে কিষ্কিন্ধালৈ বুলি খোজ লোৱাত শ্ৰীৰামচন্দ্ৰই লক্ষ্মণক ৰখাই ক'লে, "লক্ষ্মণ, সুগ্ৰীৱৰ সৈতে কোনো অমিত্ৰসুলভ আচৰণ নকৰিবা। সুগ্ৰীৱ যে আমাৰ মিত্ৰ—সেই কথা পাহৰি নাযাবা। সুগ্ৰীৱে আমাৰ কাৰ্যত বিলম্ব নিশ্চয় কৰিছে ; কিন্তু আমাৰ প্ৰতি কোনো অন্যায়-অত্যাচাৰ কৰা নাই, বা সীতাৰ অন্বেষণ নকৰোঁ বুলিও আমাক কোনোদিনেই কোৱা নাই।"

খং নামে চণ্ডাল

কামেশ বৰ খিংখিণ্ডীয়া স্বভাৱৰ মানুহ। সৰু-সুৰা কথাতো জ্বলি-পকি উঠা বিধৰ। গত্তহতে বিয়া কৰালে কামেশে। পত্নী শান্তিয়ে কামেশৰ এনে কালিকা চৰা স্বভাৱৰ পৰিচয় ইতিমধ্যে পাইছেই। ঘৰৰ ঘটি-বাটি-থালী আদিক যে কেতিয়াবা, বা সদায়েই থালী ভগা জুয়ে খেদা দিয়ে, সেই প্ৰমাণ এইবোৰ বাচন-বৰ্তনৰ গাত বাকৈ কয়ে আছে। ঘৰৰ বগা বগা বেৰবোৰত কিহৰনো দাগ এইবোৰ? সোধাত শাহুৱেকে কলে, "আই, এইবোৰ তোমাৰ কামেশৰে কীৰ্তি। আঞ্জা বেয়া হোৱাত, বা অলপ নিমখ, বা আন কিবা কম হোৱাত —থালী-বাটিৰে ভাত-আঞ্জা দলিয়ায়।"

শান্তি অতিপাত চিন্তাত পৰিল। এইজন মানুহৰ সৈতেই তাই জীৱন কটাব লাগিব, অথচ—ইমান খঙাল মানুহজন যে! এই খঙাল স্বভাৱ কেনেকৈ গুচিব?

কথাটো এদিন তাই তাইৰ গিৰিয়ককে সুধি পেলালে। শুনি--কামেশে মিচিক-মাচাককৈ হাঁহিলে মাথোন।

শান্তিও তেনেই সাৱধানী। তাই সদায় লক্ষ্য কৰি থাকিল কামেশৰ স্বভাৱ-চৰিত্ৰলৈ। লক্ষ্য কৰে—আৰু ভাবে—কেনেকৈ এওঁক শুধৰাব পাৰি।

খং উঠামাত্ৰেই কামেশ কাঠ-কঠিন হৈ পৰে, জালিম যেন হৈ উঠে। —ওৰে জীৱনলৈ এনেবোৰ কথা-কাণ্ড সদায় সহি থকা টান। এই কথা ভাবি শান্তিয়ে অশান্তিৰ মূৰ মাৰিবলৈ দৃঢ়নিশ্চয় হ'ল।

এদিন কামেশ ক'ৰবাৰপৰা ঘামি-জামি আহিল, কিবা কাজিয়া-পেচালো কিজানি

খন্তেশ খাউন্দ

কৰি আহিল, কিয়নো তাৰ মুখখন ক'লা পৰি আছিল। ভগা ঢাৰিত উৰহৰ খং জৰাৰ দৰে কামেশেও ঘৈণীয়েকৰ ওপৰত খং জাৰি ক'লে, "তুৰন্তে এমুঠিমান ভাত দিয়া, এতিয়াই আকৌ ওলাব লাগিব।"

শান্তিয়ে ডাঙৰ কাঁহী এখনত মাত্র এমুঠি ভাত আনি দিয়াত কেটাই-জেঙেৰীয়া কামেশে ঘৈণীয়েকলৈ তিগ্রমাস্তি খঙেৰে চাই থাকিল। কিন্তু শান্তিজনীয়ে একেবাৰে একো নজনা-নুবুজা আজলীৰো আজলীজনীৰ ভাও দি কামেশলৈ নোচোৱাকৈয়েই ক'লে, "কথা বৰ আচৰিতেই যেন পাইছোঁ। কোনোবা নাটকৰ দৃশ্যহে! নহ'লেনো—মাত্র এমুঠি ভাতেৰে ভোক গুচে কেনেকৈ?"

তিমানতে কামেশৰ খং আৰু চৰিছিলহে, সি ভাবিছিল যে তাৰ এই হেবাংজনীয়ে কিজানি জানি-বুজিয়েই এনে আচৰণ কৰিছে তাৰ লগত। কিন্তু শান্তিক এই বিষয়ে সুধি এই সন্দেহ তাৰ মনৰপৰা গুচিল।

এইদৰে—এনে ধৰণৰ আচৰিত ঘটনা তিনি-চাৰিবাৰমান ঘটিল।

এবাৰৰ কথা। কামেশ ক্রুদ্ধ হৈয়েই আছিল। ৰান্ধনিঘৰত থকা ঘৈণীয়েকক কামেশে চিঞৰি চিঞৰি ক'লে, "হেৰা—মোনা এটা মোৰ মুখলৈ দলি মাৰি দিয়ানা —বজাৰলৈ যাব নালাগিবনে কি?"

শান্তিয়ে তৎক্ষণাৎ মোনা এটা আনি



কামেশৰ মুখলৈ দলিয়াই দিলে।

ক্রুদ্ধ কামেশে ঘৈণীয়েকক সুধিলে যে তাই কিয় এনেকৈ মোনা এটা তাৰ মুখলৈ দলিয়াই মাৰিলে।

কামেশৰ প্রশ্নৰ উত্তৰত শান্তিজনীয়ে মুখৰ মাখি খেদিব নজনাৰ দৰে ক'লে, "মই ভাবিছিলোঁ যে—বজাৰলৈ বুলি ওলোৱাৰ সময়ত আপুনি কোৱা মতে নকৰিলে কিবা অপায়-অমঙল হ'ব।"

এই কথাৰ উত্তৰত কমেশে কি যে ক'ব ঠাহৰ কৰিব নোৱাৰিলে।

এবাৰ—ঘৰৰ সকলোটি বিয়া খাবলৈ গ'ল, ঘৰত থাকিল কামেশ আৰু শান্তি। চাউল-ধোৱা পানী এটা ডাঙৰ টৌত থৈ দিয়া হৈছিল, কিন্তু টৌটো চাউল-ধোৱা পানীৰে ভৰি গৈছিল। এইবাৰ চাউল-ধোৱা পানী ক'ত থ'ব সেই কথা শান্তিয়ে ঠাহৰ কৰিব নোৱাৰি কামেশলৈ চালে।

কামেশ তেতিয়া যোগাসন কৰিবলৈ বহিছিল। শান্তিয়ে চাউল-ধোৱা পানী পেলাই দিলে গিৰিহঁতক পাপে ছুব বুলি আগতেই ইয়াত শুনিছিল। গতিকে—এতিয়া চাউল-ধোৱা পানী কি কৰিব—ক'ত থব বুলি কামেশক সুধিলে তাই। কামেশে ঘৈণীয়েক শান্তিলৈ খঙাল ৰঙা চকুৰে ছুবাৰমান চাই পঠালে আৰু তাৰ পাছত ক'লে, "মোৰ মূৰৰ ওপৰত ঢালি দিয়া।" এই বুলি কৈয়েই সি চকু মুদি



পুনৰ যোগাসনত বহি দিলে।

কামেশে ক'বলৈ পালেহে, শান্তিয়ে চাউল-ধোৱা পানীখিনি চকুমুদা কামেশৰ মূৰৰ ওপৰত হৰহৰাই ঢালি দিলে।

কামেশ যোগাসনৰপৰা জাঙুৰ খাই উঠিল আৰু শান্তিজনীক চৰ এপাট শোধাই দিলে। চৰ খাই শান্তিয়ে আচৰিত হৈ কামেশলৈ চালে।

জালিম যেন হৈ উঠা কামেশে শান্তিক সুধিলে, "ইমান বয়স হোৱা সত্বেও কোনো বোধ-বুধি কিয় নাই তোমাৰ? এয়া কি কৰিলা?"

শান্তিয়ে ছুগাল তিয়াই চকুলো ঘোৱাই ক'লে, "তুমিয়েই ক'লা দেখোন—তেনে কৰিবলৈ। মই ভাবিলোঁ— চাউল-ধোৱা পানী তোমাৰ শৰীল-স্বাস্থ্যৰ কাৰণে ভাল হ'ব। সেই কথা ভাবি মোক তেনেকৈ কৈছা বুলি ভাবিছিলোঁ মই।"

এনে অবুজনজনীক যে কিহেৰে বুজাব —কামেশে তাৰ সুদূৰ কল্পনাৰেও ঢুকি নোপোৱা হ'ল। আগৰ ঘটনাবোৰো তাৰ এতিয়া মনত পৰিল। এনেকুৱা দেখ দেখ আজলী এজনীক যে খঙেৰে শুধৰাব নোৱাৰিব, সেই কথা কামেশে উপলব্ধি কৰিলে। তেতিয়া, জীৱনত প্ৰথমবাৰৰ বাবে খং-ৰাগ জাৰি-জোকাৰি পেলাই, শান্তিৰ কথা ভাবি কামেশ কথঞ্চিত শান্ত হ'ল। খং নামে যে চণ্ডাল —আৰু সিও যে চণ্ডালেই হ'ল, সেই কথাটোও উপলব্ধি কৰা হ'ল।

এই কথাটোলৈ শান্তিজনীয়েও মন নকৰাকৈ নাথাকিল। এই ঘটনাৰ পাছৰপৰা শান্তিজনীয়ে গিৰিয়েক কামেশৰ খং মাৰ নিয়াবলৈ মৰম-চেনেহৰে কামেশক কাবু কৰিছিল। লাহে লাহে কামেশ মৰম-চেনেহৰ মোল বুজা হ'ল, আৰু আগলৈ খঙৰ সলনি ৰংশিঙা বজাই জীৱনক মধুৰ-মহান কৰি তুলিব পৰা হ'ল।



সোণৰ নিগনি

প্ৰতিষ্ঠানদেশত আদৰ্শনগৰ নামৰ এখন চহৰ আছিল। এই চহৰত আছিল এগৰাকী বণিকৰ বিধৱা। যেতিয়া বণিকৰ মৃত্যু হ'ল তেতিয়া এইজনী বিধৱা গৰ্ভৱতী হৈ আছিল। বণিকৰ মৃত্যুৰ কিছুদিনৰ পাছত তেওঁ এটি পুত্ৰ প্ৰসৱ কৰিলে। তাৰ পাছত—পুত্ৰটি যেতিয়া যথেষ্ট ডাঙৰ হ'ল তেতিয়া এদিন তেওঁ তেওঁৰ এইপুত্ৰটিক ক'লে :

"বোপা, তুমি হ'লা বণিক-পুত্ৰ। বেহা-বেপাৰ হ'ল আমাৰ বংশৰ জীৱিকা। কিন্তু তোমাৰ দুৰ্ভাগ্য, তুমি ওপজৰেপৰাই দুখীয়া। বেহা-বেপাৰ কৰিবলৈ মুলধন মেয়ো তোমাক দিব নোৱাৰিম। এইখন চহৰতে অতি বিখ্যাত ক্ৰোৰ-পতি—অৰ্থাৎ কোটি-পতি বণিক এজন আছে। তেওঁৰ নাম ধনগুপ্ত। তেওঁ দুখীয়া বণিক-সন্তান-সকলক বেহা-বেপাৰ কৰিবলৈ সততে সহায় কৰে। তুমিও তেওঁৰ ওচৰলৈ যোৱা, তুমি নিজৰ পৰিচয় দিলে তেওঁ তোমাক নিশ্চয় মূলধন দিব।"

মাকৰ কথা মতে বণিকপুত্ৰ সেই ক্ৰোৰপতি ধনগুপ্তৰ ওচৰলৈ সিদিনাই গ'ল। বণিকপুত্ৰই যেতিয়া ধনগুপ্তৰ কাষ চাপিল, তেতিয়া ধনগুপ্তই আন এজন যুৱকক কৈ আছিল :

"তোমাৰ মাজত বেহা-বেপাৰ কৰাৰ অলপো দক্ষতা তথা ইচ্ছা থকাহেঁতেন—আজি তোমাৰ অৱস্থা এনেকুৱা নহ'ল-হেঁতেন। তোমাক মই কেইবাবাৰো মূলধন দিলোঁ, প্ৰতিবাৰেই তুমি লাভ দূৰৰে কথা—মূলধনো নষ্ট কৰি আহিছা।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

প্ৰকৃত বেপেৰুৱা মন থাকিলে, খাঁটি বণিকৰ সন্তান হ'লে—এই মৰা নিগনিটোকে মূলধন হিচাপে লৈ লাখ টকা উপাৰ্জন কৰিব পাৰিব।"

আমাৰ এই বণিকপুত্ৰই ধনগুপ্তৰ এই কথা শুনি তেওঁৰপৰা মূলধন মুখুজি, মৰা নিগনিটোকে লৈ, উভতি খোজ ল'লে। গৈ গৈ—এঠাইত এখন গেলা-মালৰ দোকানৰ আগত বণিকপুত্ৰ ৰ'ল, আৰু তাত দোকানীৰ পোহনীয়া মেকুৰীজনীক মৰা নিগনিটো খাবলৈ দিলে। এই কথাত দোকানীয়ে ভাল পাই বণিকপুত্ৰক কেইমুঠিমান ভজা বুট মাহ দিলে। এই ভজা বুট মাহত লোণ আৰু জলা মচলা মিহলাই, কলহ এটাত ঠাণ্ডা খোৱাপানী লৈ, বণিকপুত্ৰই জংগলৰ ওচৰত বাটৰ এদাঁতিত বহি দিলে। জংগলৰ কাঠ-কটীয়াইঁতে জংগলৰ কাষতে ভজা সোৱাদ মচলাদাৰ বুট মাহ আৰু খোৱাপানী পাই কিনি খোৱা হ'ল। কিন্তু পইচাৰ সলনি সিহঁতে বণিকপুত্ৰক অলপ অলপকৈ খৰি দিয়া হ'ল। সেই খৰি বেচি, কিছুখিনি ধন গোটাই বণিকপুত্ৰই খৰিকটীয়াহঁতৰ-পৰা খৰি কিনি চহৰলৈ চালান কৰিবলৈ ধৰিলে আৰু পাছত এই খৰি-বেচা ধনেৰে সি এখন গেলা ম্যলৰ দোকান পাতিলে। তাৰ এই দোকান ইমান ভালকৈ চলি থাকিল যে—বছৰদিয়েকৰ ভিতৰত সি সঁচাকৈয়েই লাখপতি হৈ পৰিল।

তাৰ পাছত এদিন সি সোণৰ নিগনি এটা সাজি লৈ ধনগুপ্তৰ ওচৰলৈ গৈ তেওঁৰ ওচৰত তাৰ সকলো কাহিনী বিবৰিলে আৰু সেই মূল্যৱান সোণৰ নিগনিটো তেওঁক উপহাৰ স্বৰূপে দিলে।

বণিকপুত্ৰৰ এনে অভিনৱ কাহিনী শুনি মুগ্ধ হৈ ধনগুপ্তই তেওঁৰ একমাত্ৰ ছোৱালীজনীৰ সৈতে এই কৰ্মপটু বণিক-পুত্ৰৰ যোৱা পাতি দিলে।

আনন্দৰ উৎস

কথা বহু পুৰণি দিনীয়া, কমেও তিনি হাজাৰ বছৰৰ আগৰ। তেতিয়াৰ চীন-সম্ৰাটে কি মন গ'ল—চৈধ্য বছৰীয়া ছোৱালী এজনীক বিয়া কৰালে। সম্ৰাটে এইজনী চৌদহ্ বী-কা-চান্দক দেখামাত্ৰেই ভোল গৈ ডোলত বান্ধ খালে।

এই সৰুজনী ৰাণীক সম্ৰাটে ইমান যে মৰম কৰে—কিন্তু তথাপি ৰাণীৰ মনত সুখ নাই, মুখ-চকুত দুখৰ ছাঁ, মন কৰে হু-হা। সৰু ৰাণীৰ সুখৰ কাৰণে সম্ৰাটে নাচ-গান আৰু কত কি যে বন্দৰস্ত কৰি দিছে। কিন্তু ৰাণীৰ বিষাদ নুগুচা হৈছে।

সম্ৰাটে দেশৰ বছা বছা বৈদ্যক মতাই অনালে, অনাই জৰা-ফুকাও কম নকৰিলে; কিন্তু ৰাণীৰ মৰা মনক ভৰা কৰি তুলিব নোৱাৰিলে। ৰাণীয়ে সদা-সৰ্বক্ষণ হা-হুতাহ কৰে, তেওঁৰ ইয়াত মাক নাই বাপেক নাই ভাই-বন্ধু আত্মীয়-স্বজন কোনো নাই। পৰিয়ালৰপৰা বিচ্ছিন্ন সৰু ৰাণীৰ মনৰ শান্তি নিচ্ছিন্ন। তেওঁৰ হেনো সদা-সৰ্বক্ষণ মনত পৰে সেই নিজৰ গাঁৱেখনিলৈ, পা-পৰিজনসকললৈ।

এদিন এইজনী সৰুৰাণী সম্ৰাটৰ উদ্যানত এজোপা নুনি গছৰ তলত আমন-জিমন হৈ বহি আছিল। সম্ৰাটে ৰাণীক তাত দেখা পাই তালৈ গ'ল আৰু ৰাণীক সুধিলে, "শ্বি লিং শ্বি, তোমাৰ কি হ'ল? উদাস হৈ অকলশৰে বহি আছা কিয়? তোমাক কি লাগে কোৱাঁ, যি লাগে কোৱাঁ।"

"এনেয়ে—মনটো বৰ ভাল লগা নাই। মোক একো নালাগে।" সৰু ৰাণী শ্বি লিং শ্বিয়ে সৰু সৰুকৈ ক'লে।

'চীনদেশৰ লোক-কথা'

তাৰ পাছত সম্ৰাটে তেওঁৰ উজীৰহঁতক মতাই অনালে আৰু যেনে-তেনে সৰু ৰাণী শ্বি লিং শ্বি-ৰ মন ভাল লগাবলৈ কিবা-কিবি উপায় বিচাৰি উলিয়াবলৈ ক'লে।

ইতিমধ্যে লিগিৰীহঁতে চাহৰ পাত্ৰ লৈ আহি সৰু ৰাণীৰ আগত থৈ দিছিল। সৰু ৰাণী শ্বি লিং শ্বি-য়ে প্ৰথা মতে পিয়লাত চাহ বাকি তাত উপস্থিত থকা নাচোঁতা-গাওঁতাহঁতক দিলে, লিগিৰীহঁতক দিলে, আৰু এপিয়লা নিজৰ কাৰণে বাকি ল'লে।

আৰু ঠিক তেতিয়াই ৰাণীৰ চাহৰ পিয়লাত কিবা এটা টুপুক্‌কৈ পৰিল ওপৰৰপৰা। লগে লগে লিগিৰীহঁত লৰৰি আহিল, কিবা এটা উলিয়াই আনিলে।

কিন্তু ফলটো ঠিক ফলৰ নিচিনা নহয়, যেনিবা এলেছা মিহি সূতাহে। আৰু—আচলতে সূতাহে, ৰেচমৰ সূতা, যাক বোলে পাট, সেই পাটৰে পলু আছিল এই সূতাৰ লেছাহেন ফলটো।

শ্বি লিং শ্বিয়ে পাটৰ পলু—অৰ্থাৎ সেই ফলটো হাতত লৈ ঘূৰাই-পকাই চালে। ঠিক, ঠিক। সূতা ওলাইছে দেখোন।

আঃ! কিম্‌মান যে ধুনীয়া সূতা! এই সূতাৰে যদি কাপোৰ বৈ উলিয়াব পাৰি—কিমান যে জলমলীয়া হ'ব! —শ্বি লিং শ্বিয়ে মনতে ভাবিলে।

শি লিং শ্বিয়ে এই পলুৰপৰা ওলোৱা সূতা অলপ টানি চালে। ওঁ, বেছ মজপুত আৰু কিম্‌মান যে চিকমিকীয়া! এটা পলুতে কিজানি হেজাৰ হেজাৰ হাত দীঘল সূতা আছে!

কথাটো ভবাৰ লগে লগে সৰুৰাণী শ্বি লিং শ্বিৰ মনত এক অভিনৱ পৰিকল্পনাই বাহ ল'লে। তেওঁ লিগিৰীহঁতক এই ফলৰূপী পলুৰপৰা যঁতৰৰ সহায়ত সূতা উলিয়াবলৈ ক'লে আৰু লিগিৰীহঁতে তৎক্ষণাৎ সেই কামত মনপুতি লাগিল।

"এনেকৈ—এটা-দুটা ফলৰ সূতাৰেনো কি হ'ব? তোমালোকে এটা কাম কৰা—

"এই গছজোপাত যিমানবোৰ ফল আছে, বুটলি আনি চাহত তিয়াই লোৱা।" সৰুৰাণীয়ে আদেশ দিলে।

তাৰ পাছত আৰম্ভ হ'ল যাক বোলে —কৰ্মযজ্ঞ। কাৰো আৰু আজৰি নাই, কাম আৰু কাম। কেৱল পলুৰপৰা সূতা উলিয়ালেই কাম শেষ নহয়, সেই সূতা উপজিপূৰাৰ কাঁচিয়লি ৰ'দত ভালকৈ শুকুৱাই, তাৰে মিহিতকৈয়ো মিহি কাপোৰ বৈ উলিয়াব লাগে।

লাহে লাহে—সম্ৰাটৰ প্ৰাসাদতে বস্ত্ৰ-বয়ন কাৰখানা গঢ়ি উঠিল। তাত সদায় মাকো আৰু টোলাঠাৰ শব্দ উঠি থাকিল—খট্ খটা খট্—খট্ খটা খট্।

এতিয়া আৰু কাৰো ফুৰছৎ নাই। সৰু ৰাণী শি লিং শিৰো নাই। সৰুৰাণীও সদায় কৰ্মমগ্ন।

কিছুদিনৰ পাছত সম্ৰাটে উজীৰহঁতক পুনৰ সুধিলে, "ৰাণীৰ মনত আনন্দ বিধান কৰিবলৈ তোমালোকে কিবা উপায় উলিয়াব পাৰিলানে?"

"সম্ৰাট, আমি এটা বিশেষ উপায় উলিয়ালোঁ। এটা ধুনীয়াৰো ধুনীয়া ম'ৰা চৰাই উদ্যানত ৰাখি থ'লে—মহাৰাণীয়ে ম'ৰাৰ নৃত্য চাই মুগ্ধ হৈ আনন্দিত হ'ব।" ই উজীৰে সি উজীৰলৈ চাই উশাহ টানিলে।

এই উপৰ-টেলেঙী উজীৰহঁতৰ দ্বাৰা যে কোনো কাম নহ'ব—সেই কথা ভালকৈ গমি—সম্ৰাটে সৰু ৰাণীক মাতি আনিবলৈ লিগিৰী এজনীক ক'লে।

লিগিৰীজনীয়ে ক'লে, "প্ৰভু! তেওঁ এতিয়াও তেওঁৰ কক্ষৰপৰা ওলোৱা নাই, কক্ষৰ দুৱাৰো খোলা নাই।"

ইমান দেৰি সৰুৱে কি কৰিছেনো? সম্ৰাট ভাবিলে।—আৰু তাৰ পাছত নিজেই সৰু ৰাণীৰ কক্ষলৈ খোজ ল'লে।

সৰু ৰাণী তেওঁৰ কক্ষত আগৰ দৰে আমন-জিমনকৈ বহি থকা নাছিল, তেওঁ অতি সূক্ষ্ম পাটৰ কাপোৰ বৈ আছিল।

এনে সূক্ষ্মাতিসূক্ষ্ম কাপোৰ—ইয়াৰ আগতে আনকি সম্ৰাটেও দেখা নাছিল।

সৰু ৰাণীয়ে সম্ৰাটলৈ মুৰ দাঙি চালে। সৰু ৰাণীৰ চকু মুখত আনন্দৰ আভা জিলিকি উঠিছিল। সৰু ৰাণীয়ে মিচিক-মাচাককৈ হাঁহি আছিল।

"সম্ৰাট! মই আপোনাক মোৰ নিজ হাতেৰে বোৱা বস্ত্ৰ উপহাৰ দিলে আপোনাৰ খং উঠিবনে?"

"খং? কিহলৈনো ইমান অপূৰ্ব-অদ্ভুত বস্ত্ৰ চাই আৰু পাই—তাকো আকৌ তোমাৰ হাতে-বোৱা—খং উঠিব মোৰ?" সম্ৰাটে হাঁহি হাঁহি ক'লে।

"নহয়—সম্ৰাট—কথা হ'ল—সম্ৰাট-পত্নী হৈও মই যে শিপিনী হ'লোঁ—আপুনি তো অপমান বোধ কৰিব পাৰে। এই কাৰণেই মই অতি সংগোপনে নিজৰ কক্ষত দুৱাৰ-খিৰিকী—মাৰি এই কাম কৰি আছোঁ।" শ্বি লিং শ্বিয়ে ক'লে।

"তোমাৰ এই শিল্প-কৰ্মলৈ মোৰ আন্তৰিক অভিনন্দন আৰু সমৰ্থন থাকিল। এই কামতে তুমি যে আনন্দ পাইছা—এয়ে মোৰো পৰম আনন্দ।" সম্ৰাটে সৰু ৰাণীৰ কথাত ভাল পাই ক'লে।

তেতিয়া শ্বি লিং শ্বিয়ে সম্ৰাটক—ক'লে, "সম্ৰাট! আপোনাৰ ওচৰত এটি প্ৰাৰ্থনা জ্ঞাপন কৰোঁনে?"

"কি লাগে—এতিয়াই কোৱা।"

"মোক সহস্ৰ মুনি গছৰ বাগিচা এখন লাগে।" সৰু ৰাণীয়ে ক'লে।

মহাৰাজে আনন্দৰে সৈতে সৰু ৰাণীৰ এই প্ৰাৰ্থনা পূৰণ কৰিছিল আৰু এই-দৰে—জগতে প্ৰথম পাটৰ কাপোৰ পাইছিল। চীনদেশৰ ভাষাত—আজিও 'শ্বি'-ৰ অৰ্থ হ'ল ৰেচম। অৰ্থাৎ পাট।

লাহে লাহে—চীনদেশৰপৰা এই মুনি গছ আৰু তাৰ পাট পলু সকলোতে—আৰু লগতে অসমতো বিয়পি পৰিছিল।



পৃথিৱীৰ ৬,০২০,০০০ স্কোৱেৰাৰ মাইল (১৬,৬০০,০০০ কি. মি. অৰ্থাৎ—পৃথিৱীৰ ভূমি-ভাগৰ ১০.৪ ভাগ বৰফেৰে ঢাক খোৱা !
ৰৰফৰ নৈ
সৰ্পহন্তা
আফ্ৰিকাৰ ‘ছেক্ৰিট্যাৰি বাৰ্ড’ নামৰ চৰায়ে তাৰ দীঘল ঠেঙেৰে হেঁচি ধৰি সাপ চিকাৰ কৰে। ঠেঙৰ জোঙা নখেৰে যিকোনো বিশাল বিশাল সাপকো মুৰ্ততে ফালি পেলায়।
পৃথিৱীৰ গভীৰতম হ্ৰদ হ’ল বৈকাল। বৈকাল হ্ৰদ ৰুশ্বদেশৰ ছেণ্ট্ৰাল ছাইবেৰিয়াত অৱস্থিত। এই হ্ৰদ ৪,৮৭২ ফুট অৰ্থাৎ ১,৪৮৫ মিটাৰ গভীৰ !
গভীৰতম হ্ৰদ !

Ta dum, They is here
Oops! Kiddy grammar sure is catchy—Ya, they are here.
Bow Wow 'n' Floppy the doggies (wuff! wuff!), Jumbo the elephant, Wobbit the rabbit, Teddy 'n' Sporty your bear buddies, the mouse of your house—Squeeks, not to mention Flipper the dolphin 'n' Bunny with the Twins. They are all part of the CUDDLES family. And hang on—there's more to come.
The one thing we didn't do while making our toys was fool around. We left that entirely for your kid to do. Come, check us out.
What stuffing to use, what shape to give, which colour to use...... We've spent long months in designing and crafting the toys which can take on the toughest torture test ever—childhandling. To ensure that they're safe.
CUDDLES
CHANDAMAMA TOYTRONIX
in collaboration with Semmo Corporation, S.Korea
Chandamama Buildings, 188, NSK Salai, Vadapalani, Madras-600 026.

ফ:টো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯১ চনৰ মাৰ্চ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯১ চনৰ জানুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯০ চনৰ নভেম্বৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : **বন্দুকবাজ** দ্বিতীয় ফটো : **চন্দুকবাজ**

পুৰস্কাৰ প্ৰাপক : গীতালি শৰ্মা, বৰপেটা টাউন, অসম।
[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৩৬.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :

নাইবা
Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আঁৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৮১·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

**ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ**

জাহাজ-যোগে ৮৭·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

আপোনাৰ বৰঙণি বেংক ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

Vital tips
for colouring
Luxor Mickey
Mouse Colours
Enter the fairyland of colours.
Luxor Bambino colour set
An adventure with colours.
Bambino
COLOUR SET
Luxor Colour Pens
Sing a rainbow, paint a song
Luxor Disney fun set
For fun, frolic and fantasy.
DISNEY FUNSET
COLOUR PENS
Disney
INOXCOLOR
PLASTIC CRAYONS
Sign Pen
DONALD DUCK
Magic Colour
Luxor Sign Pen
To make your little dreams
come true.
Donald Duck Magic Colours
For the magician in you.
Disney Inoxcolor Plastic Crayons
Colourful times ahead.
© THE WALT DISNEY CO.
CLARION D 254 R
Bestsellers
PENNED BY LUXOR
Luxor®
LUXOR PEN CO., 229, Okhla Industrial Estate,
Phase III, New Delhi-110020, India.
Tel: 633318, 6833372, 6835607. Tlx: 031-75069
SIGN IN. Fax: 011 6847602. Tel: Delhi (Sales):
522956, Bombay: 6730251, Calcutta: 250407

MORE THAN A MANGO!

NATURO FROM NUTRINE. A THICK JUICY MANGO BAR.
MADE FROM PURE MANGO PULP.
SWEETER AND SO MUCH MORE THAN JUST A MANGO.

Mudra:Bir:NN:310:90

nutrine